# ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ বিবাহ পদ্ধতি

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতক ষষ্ঠ ষান্মাসিকৰ অসমীয়া DSE-3(H) কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা পত্ৰ


তত্ত্বাৱধায়ক
ড° বৰ্ণালী শইকীয়া
সহকৰী অধ্যাপিকা
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
মিতালী দত্ত
স্নাতক তৃতীয় বৰ্ষৰ
ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ
ৰোল নং - ৩০৮১০১১৫
পঞ্জীয়ন নং -S১৯২১৬৬৩



**নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ, যোৰহাট**
**ইং-২০২২ বৰ্ষ**


Scanned by CamScanner

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০


প্ৰসঙ্গ নং.........

তাৰিখ ঃ ০৭০৭.২০২২

## প্ৰমাণ পত্ৰ

শ্ৰীমতী মিতালী দত্ত স্নাতক ষষ্ঠ যান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০১১৫)ৰ ছাত্ৰী। তেওঁ ড° বৰ্ণালী শইকীয়াৰ তত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ বিবাহ পদ্ধতি"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

Head
Department of Assamess
Nanda Nath Saikia College
Titabar

Scanned by CamScanner

# অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ স্থাপিত ঃ ১৯৫৯

## প্ৰমাণ পত্ৰ

তাং ঃ ০৭.০৭.২০২২

শ্ৰীমতী মিতালী দত্ত স্নাতক কলা শাখাৰ ষষ্ঠ ষান্মাসিকৰ **(ৰোল নং ৩০৮১০১১৫) (ৰেজিষ্ট্ৰেচন নং S১৯২১৬৬৩)** ছাত্ৰ ছাত্ৰী । তেওঁ মোৰ তত্ত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে **ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ বিবাহ পদ্ধতি** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে । তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে ।

গৱেষণা কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

বৰ্ণালী শইকীয়া
তত্ত্বাৱধায়ক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ।

Department of Assamese
Date ............
Nandanath Saikia College, Titabar

Scanned by CamScanner

# কৃতজ্ঞতা জ্ঞাপন

ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ বিবাহ পদ্ধতি ঃ এটি সমিক্ষাত্মক অধ্যয়ন শীৰ্ষক গৱেষণা গ্ৰন্থখনত আলোকপাত কৰা হৈছে। এই বিষয়টোত ড° বৰ্ণালী শইকীয়া বাইদেউৰ তত্ত্বাৱধানত প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

বিষয়বস্তু নিৰ্বাচনৰ পৰা গবেষণা কাৰ্যৰ চুড়ান্ত ৰূপ দিয়ালৈকে আৰু এই দিশত পোৱা বিভিন্ন সমস্যাসমূহৰ সমাধান বৰ্ণালী বাইদেউয়ে সম্পূৰ্ণ সহযোগিতা আগবঢ়ালে। ক্ষেত্ৰ অধ্যয়নৰ দিশতো আমাক পৰামৰ্শ আগবঢ়ালে, তেখেতৰ ব্যস্ততাপূৰ্ণ জীৱনৰ মাজতো আগবঢ়োৱা পৰামৰ্শ তথা প্ৰেৰণাই আমাক কৃতাৰ্থ কৰিছে। তেখেতৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

মই ঠেঙ্গাল কছাৰী জনগোষ্ঠীয় নাৰী নহয় যদিও জনগোষ্ঠীটোৰ পৰম্পৰাই মোক আকৰ্ষিত কৰিছিল। তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° যোগেশ্বৰ বড়াদেৱে গৱেষণাৰ বাবে মোক আগ্ৰহী কৰি তুলিছিল। তেখেতৰ গৱেষণাৰ বিষয়ক বহুমূলীয়া দিহা-পৰামৰ্শৰ বাবে মই কৃতজ্ঞতা জনালোঁ।

মোৰ গৱেষণা কৰ্মৰ বাবে অনুমতি প্ৰদান কৰা নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সমূহ কৰ্মকৰ্তাক ধন্যবাদ জনালোঁ।

ক্ষেত্ৰ অধ্যয়নৰ লগতে বিভিন্ন তথ্য সম্পৰ্কে সম্ভেদ দি মোৰ গৱেষণাত আন্তৰিকতাৰে সহযোগিতা আগবঢ়োৱা তিতাবৰ ২ নং বেবেজীয়া কছাৰী গাঁৱৰ সুচিত্ৰা কছাৰী আৰু ভুবন বড়াক ধন্যবাদ জনালোঁ।

মোৰ গৱেষণাৰ সময়ছোৱাত বিভিন্ন প্ৰকাৰে সহায় আগবঢ়োৱা পৰিয়ালৰ সদস্য আৰু অন্যান্যজনলৈ এই ছেগতে কৃতজ্ঞতা থাকিল। ঠেঙ্গাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ সন্মানীয় সম্পাদক শ্ৰী নিবিৰণ কছাৰীয়ে বিভিন্ন তথ্য যোগান ধৰি মোক বিশেষভাৱে সহায় কৰিছিল।

মোৰ গৱেষণাত আৰম্ভণিৰে পৰা বিশেষভাৱে সহায় কৰা মোৰ মা। ক্ষেত্ৰ অধ্যয়ন আৰু কিতাপ পত্ৰ দি সহায় কৰা আৰু প্ৰেৰণা দিয়া মোৰ মৰমৰ বান্ধৱী মণিকা বড়া, সুস্মিতা বড়া, শিবানী শইকীয়া, মানসী কছাৰী আৰু ডি.টি.পি. কৰোঁতে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ সমাধান কৰা শ্ৰী নিত্যম বৰুৱা আৰু বিনন্দ গগৈৰ ওচৰত কৃতজ্ঞ হৈ ৰলোঁ।

মিতালী দত্ত
তিতাবৰ, তৃতীয় অসম আৰক্ষী বাহিনী
যোৰহাট ঃ ৭৮৫৬৩১

Scanned by CamScanner

# -ঃ বিষয়সূচী ঃ-


কৃতজ্ঞতা
০.০০ প্ৰস্তাৱনা
০.০১ বিষয়ৰ পৰিচয়
০.০২ বিষয়ৰ পৰিসৰ
০.০৩ গৱেষণা ক্ষেত্ৰ
০.০৪ বিষয় গৱেষণ পদ্ধতি
০.০৫ গৱেষণাৰ লক্ষ্য উদ্দেশ্য
০.০৬ বিষয়ৰ পূৰ্বকৃত অধ্যয়ন
প্ৰথম অধ্যায় ৯-১৩
১.০০ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ পৰিচয়
১.০১ কছাৰী শব্দৰ উৎপত্তি ৯
১.০২ ঠেঙ্গাল কছাৰী পৰিচয় ১১
১.০৩ ঠেঙ্গাল কছাৰী সামাজিক ৰীতি-নীতি ১৩
দ্বিতীয় অধ্যায় ১৬-২৮
২.০০ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ বিবাহ পদ্ধতি
২.০১ বিবাহৰ পৰিচয় ১৬
২.০২ বিবাহৰ শ্ৰেণীবিভাগ ১৭
২.০৩ বিবাহ অনুষ্ঠানত গোৱা গীত ২৫
২.০৪ বিবাহৰ সাজপাৰ ২৭
২.০৫ বিবাহৰ লোকবিশ্বাস ২৮
উপসংহাৰ ২৯
সিদ্ধান্ত ৩০
প্ৰসংগসূচী ৩১
গ্ৰন্থপঞ্জী ৩২
তথ্যদাতাৰ তালিকা ৩৩
আলোকচিত্ৰ ৩৪-৩৮


Scanned by CamScanner

## ০০.০ প্ৰস্তাৱনা ঃ

### ০.০১ বিষয়ৰ পৰিচয় ঃ

ঠেঙ্গাল কছাৰীসকল অসমৰ অন্যতম ভূমিপুত্ৰ। ঠেঙ্গালসকল মংগোলীয় গোষ্ঠীৰ লোক। এই মংগোলীয় গোষ্ঠীৰ লোকসকলক কিৰাত বুলিও কোৱা হয়। বৃহত্তৰ কছাৰী সম্প্ৰদায়ৰ এটা ফৈদ ঠেঙ্গালসকল। এই মংগোলীয় গোষ্ঠীৰ লোকসকলক কছাৰী চলন্তি নামেৰে জনাজাত যদিও পৰৱৰ্তী সময়ত বিভিন্ন কাৰণত ইয়াৰে ফৈদে সোণোৱাল নাম পায়। কছাৰীসকলৰ এই দুয়োটা ফৈদ ওচৰা-ওচৰি বাবেই বহুক্ষেত্ৰত দুয়োটা ফৈদৰ মিল থকা দেখা পোৱা যায়। ঠেঙ্গা পিন্ধা বাবে ঠেঙ্গাল আৰু সোণ কমোৱা বাবে সোনোৱাল বাবে সোনোৱাল বুলি কোৱা কথাবোৰো কেতিয়াবা গ্ৰহণযোগ্য আৰু কেতিয়াবা অগ্ৰহণযোগ্য বুলি মনত খেলিমেলিৰ সৃষ্টি হয়।

বিবাহ হ'ল অসমীয়া সমাজৰ অতি আনন্দদায়ক উৎসৱ। মানুহৰ জীৱনত তিনিটা কাৰ্য অপৰিহাৰ্যভাৱে সংঘটিত হয়। সেয়া হৈছে জন্ম, বিবাহ আৰু মৃত্যু - এই তিনিটা কাৰ্য কেতিয়া সংঘটিত হয় সেয়া কেনেও ক'ব নোৱাৰে। অতীতৰ পৰা বৰ্তমানলৈকে পৃথিৱীৰ সমগ্ৰ মানৱ সমাজত 'বিবাহ' এই চিৰন্তন প্ৰথাটো প্ৰচলিত হৈ আহিছে। বিবাহ এনে এটা সামাজিক অনুষ্ঠান, যাৰ জৰিয়তে এটা স্থায়ী পৰিয়াল, সুস্থ, যৌণ জীৱন, জীৱনৰ শৃংখলা বৰ্তাই ৰাখিব পাৰি আৰু এই কাৰ্যবোৰৰ বাবেই বিবাহৰ সৃষ্টি বুলিব পাৰি।

উল্লেখিত জনগোষ্ঠীটোৱে সমাজ জীৱনৰ কোঁহে কোঁহে জড়িত থকা বিভিন্ন আচাৰ-অনুষ্ঠান , পূজা-পাতল আদি সাৱটি ৰাখি সংস্কৃতিৰ ঐতিহ্যমণ্ডিত কৰি ৰাখিছে। গতিকে ঠেঙ্গাল জনগোষ্ঠীৰ লোকসকলৰ আচাৰ-অনুষ্ঠানৰ ওপৰত গুৰুত্ব আৰোপ কৰি ঠেঙ্গাল জনগোষ্ঠীৰ বিবাহকাৰ্য দিশৰ বিষয়ে এই গৱেষণা পত্ৰত তেওঁলোকৰ ৰীতি-নীতি , পৰম্পৰা বিষয়ে আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে।

### ০.০২ বিষয়ৰ পৰিসৰ

ঠেঙ্গাল কছাৰী বিবাহকাৰ্য বিষয়টোত আলোচনা কৰিবলগীয়া মূল বিষয়সমূহ হ'ল - তোলনি বিয়া, বৰ বিয়া। এই বিয়াৰ ভিতৰুৱা কিছুমান ৰীতি-নীতি গৱেষণা পত্ৰখনিত থুলমূলকৈ আলোচনা কৰা হ'ব।

### ০.০৩ গৱেষণা ক্ষেত্ৰ ঃ

অসমৰ বিভিন্ন ঠাই বিশেষকৈ উজনি অশমৰ গোলাঘাট জিলাৰ ধনশিৰি পাৰৰ ভূ-খণ্ড, সৰুপথাৰ, বৰপথাৰ, মেৰাপানী, কাছমাৰী, দৈয়াং, শিৱসাগৰ জিলা, লক্ষিমপুৰ জিলাৰ বিহপুৰীয়া, কাৰ্বিআংলং

Scanned by CamScanner

জিলাত এই সম্প্ৰদায়ৰ লোকসকলৰ বসতি দেখিবলৈ পোৱা যায়। ঠেঙ্গাল কছাৰীসকলৰ বসতিৰ বিস্তৃতিলৈ লক্ষ্য ৰাখি অধ্যয়নৰ সুবিধাৰ বাবে যোৰহাট জিলাৰ তিতাবৰৰ কিছু বিশেষ অঞ্চল গৱেষণাৰ ক্ষেত্ৰৰূপে গ্ৰহণ কৰা হৈছে।

## ০.০৪ বিষয় গৱেষণা পদ্ধতি ঃ

গৱেষণা পত্ৰত ঐতিহাসিক, বিশ্লেষণাত্মক আৰু ক্ষেত্ৰ অধ্যয়ন এই তিনিটা পদ্ধতি ব্যৱহাৰ কৰা হৈছে। ঠেঙ্গাল কছাৰীসকলৰ সম্পৰ্কত থকা বিভিন্ন প্ৰবন্ধ তথা বিভিন্ন বুৰঞ্জীমূলক তথ্যসমূহৰ ভিত্তিত এই অধ্যয়ন কৰা হৈছে। গৱেষণা কৰ্মত ক্ষেত্ৰ অধ্যয়নৰ পৰা সংগ্ৰহ কৰা সমলৰাজি প্ৰয়োগ কৰা হৈছে। ক্ষেত্ৰ অধ্যয়নৰ ক্ষেত্ৰত পৰ্যবেক্ষণ আৰু প্ৰশ্নসূচক পদ্ধতিৰে বিভিন্ন তথ্য গ্ৰহণৰ ব্যৱস্থা অৱলম্বন কৰা হৈছে।

## ০.০৫ গৱেষণাৰ লক্ষ্য আৰু উদ্দেশ্য ঃ

গৱেষণাৰ ঘাই লক্ষ্য হ'ল কোনো এটা বিষয় সম্পৰ্কে সত্য অন্বেষণ কৰা আৰু তাৰ দ্বাৰা বিষয়টো সম্পৰ্কে নতুন জ্ঞান আৰু সিদ্ধান্ত আগবঢ়োৱা।

ঠেঙ্গাল কছাৰী বিচাৰ বিশ্লেষণ যে এয়ে প্ৰথম তেনে নহয়। সাধাৰণ মানুহখিনিয়ে বিবাহ কাৰ্যৰ ক্ষেত্ৰত কেনে ধৰণৰ ৰীতি-নীতি মানি চলিছিল সেয়া গৱেষণাৰ জড়িয়তে আমি অনুধাৱণ কৰিব পাৰো। হেৰাই যোৱা কিছুমান পৰম্পৰা নৱপ্ৰজন্মৰ মাজলৈ উলিয়াই অনা আৰু সমাজৰ মাজত যাতে বৰ্তি থাকে সেই উদ্দেশ্যৰে গৱেষণা কৰা হৈছে।

Scanned by CamScanner

## ০.০৬ বিষয়ৰ পূৰ্বকৃত অধ্যয়ন

ঠেঙ্গাল কছাৰীৰ বিবাহ কাৰ্য সম্পৰ্কীয় গৱেষণামূলক অধ্যয়ন বৰ্তমানলৈকে যথেষ্ট কম। জনগোষ্ঠীটোৰ পৰিচয়মূলক অধ্যয়ন "অসমৰ ঠেঙ্গাল কছাৰীৰ ইতিবৃত্ত" - শীৰ্ষক নন্দ বৰাৰ দ্বাৰা ৰচিত গ্ৰন্থখনহে পোৱা যায়। জনগোষ্ঠীটোৰ বিবাহ বিষয়ক তথ্য পাব পৰা উৎস হ'ল "সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠনৰ দ্বাৰা প্ৰকাশিত মুখপত্ৰ ঠেঙ্গাল দৰ্পণ, ঠেঙ্গাল জাগৰণ ইত্যাদি স্মৃতিগ্ৰন্থসমূহত। ১৯৯২ চনৰ পৰা প্ৰকাশ পোৱা ঠেঙ্গাল কছাৰীৰ এই মুখপত্ৰখনৰ সংখ্যাও কম। মুখপত্ৰ সমূহত প্ৰকাশিত প্ৰবন্ধৰাজিৰ ভিতৰত অন্যতম হ'ল - "চীনৰ পৰা দৈয়াঙলৈ ঃ ঠেঙ্গাল কছাৰীৰ উৎপত্তি আৰু আৰ্থ সামাজিক অৱস্থা" - শীৰ্ষক প্ৰৱন্ধটি। ইতিমধ্যে এই বিষয়ত কেইখনমান গৱেষণা গ্ৰন্থ প্ৰস্তুত হৈছে। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালযত এই বিষয়ক গৱেষণা সমাপ্ত কৰাসকল হ'ল কৈলাশ দত্ত, বৰ্ণালী চেতিয়া, বিনীতা দাস, জ্যোতিকা বৰা, মুনমী গগৈ, বৰ্ণালী শইকীয়া আদি।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগত ইতিমধ্যে গৱেষণা কৰা গৱেষক কৈলাশ দত্তৰ বিষয় হ'ল "Ethnicily and Folklore : A study Among The Thengal Kacharis of Assam" - গ্ৰন্থখনিত ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ মূল, জনসংখ্যা, সামাজিক জীৱন, সাংস্কৃতিক বৈশিষ্ট্য, সাংবিধানিক অৱস্থান, ভাষা-সাহিত্যৰ বিশ্লেষণ পোৱা যায়।

আধুনিক ভাৰতীয় ভাষা বিভাগত "অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক জীৱন ঃ এটি সমীক্ষাত্মক অধ্যয়ন" - শীৰ্ষক বিষয়ত বৰ্ণালী চেতিয়াই গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰিছে। এই গৱেষণা গ্ৰন্থখনে ঠেঙ্গাল জনগোষ্ঠীৰ সামাজিক-সাংস্কৃতিক জীৱনৰ এটি পৰিচয় তুলি ধৰিছে। তেওঁৰ অধ্যয়নে ঠেঙ্গাল জনগোষ্ঠীৰ ইতিহাস চৰ্চাৰ লগতে সামাজিক-সাংস্কৃতিক দিশটো কিছু পৰিমানেহে উন্মোচিত হৈছে।

গুৱাহাটী বিশ্ববিদ্যালযৰ পৰা অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সমাজ-সংস্কৃতিত নাৰীৰ ভূমিকা ঃ পৰম্পৰা আৰু পৰিৱৰ্তন - এই শীৰ্ষক বিষয়ত বৰ্ণালী শইকীয়াই গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰিছে। গ্ৰন্থখনত অধ্যায় অনুসৰি নাৰী প্ৰাসঙ্গিক সামাজিক জীৱনধাৰা, সাংস্কৃতিক বৈচিত্ৰ্য, ধৰ্মীয় ৰীতি নীতি আৰু ভাষা সাহিত্য অৱস্থান সম্পৰ্কে চৰ্চা কৰা হৈছে।

মুকুট শৰ্মাৰ ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি গ্ৰন্থখনত বিবাহৰ পদ্ধতিৰ পৰিচয় দিয়া হৈছে। বৰ্ণালী চেতিয়াৰ নোৱাই তোলনি বিয়া প্ৰবন্ধটোত কিছুমান ৰীতি-নীতিৰ সম্পৰ্কে পোৱা যায়।

Scanned by CamScanner

## ১.০০ প্ৰথম অধ্যায়

### ১.০১ কছাৰী শব্দৰ উৎপত্তি ঃ

চীনৰ ইয়াং চিকিয়াং আৰু হোৱাংহো নদীৰ পাৰত বসবাস কৰা চীন-তিব্বত ভাষা গোষ্ঠীৰ মঙ্গোলীয় লোকসকল খৃঃপূঃ ২০০০ চনৰ পৰা দলবদ্ধভাৱে অসম আৰু নেপাললৈ প্ৰব্ৰজন ঘটে। (১) মঙ্গোলীয় গোষ্ঠীৰ মানুহৰ শাৰীৰিক বৈশিষ্ট্য হৈছে - গাৰ বৰণ পীত বা পীতপিঙ্গল , কেশ ক'লা , ঋজু আৰু অমসৃণ, ডাড়ি গোঁফ তাকৰ, শৰীৰত নোম কম, মুখমণ্ডল বহল আৰু চেপেটা, হনু বৰ স্পষ্ট (২), নেত্ৰ ঠেক বা নেত্ৰবক্ৰ, নেত্ৰছেদ ভাজমুক্ত। (২) সংস্কৃতভাষী পুৰণি ভাৰতীয় লোকসকলে এই চীনদেশীয় মঙ্গোলীয় লোকসকল কিৰাত আখ্যা দিয়ে।(৩) বুৰঞ্জীবিদসকলৰ মতে পাটপলু , মুগা আদিৰ জন্ম ঠাই চীনদেশ। চীন ভাষাত পাট বা চিল্কৰ প্ৰতিশব্দ ছেৰ বা ছেৰেচ।

কিৰাতসকলক সাধাৰণতে ডাঙৰ নদী বা পৰ্বতৰ দাঁতি কাষৰীয়া ঠাইত বসবাস কৰিছিল। নদী, পাহাৰ, পৰ্বতৰ দাঁতি কাষৰীয়া ঠাইত বসবাস কৰাৰ কাৰণে সংস্কৃত ভাষাত কক্ষৰাটৰ পৰা কক্ষত- কচ্ছত- কচ্ছৰ লগত "অৰি" যোগ হৈ কচ্ছ+অৰি - কছাৰী নামৰ উৎপত্তি হয় বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে।

মঙ্গোলীয় গোষ্ঠীৰ এই বড়ো লোকসকলক ভাৰতীয় আন আন আৰ্য্য হিন্দুসকলে বিভিন্ন সময়ত কিৰাত, ম্লেচ্ছ, কছাৰী নামেৰে অভিহিত কৰি আহিছে যদিও কছাৰী নামহে তেওঁলোকৰ চলন্তি নাম।

ৰেভাৰেণ্ড ছিদনী এণ্ডলে কছাৰীসকলৰ আকৃতি আৰু সাধাৰণ চেহেৰা মঙ্গোলীয় বুলি উল্লেখ কৰিছে আৰু তেওঁলোকৰ আদি বাসস্থান তিব্বত আৰু চীন আছিল বুলি কৈছে। তেওঁৰ মতে এই মঙ্গোলীয় গোষ্ঠীৰ কছাৰীলোকৰ প্ৰধানকৈ দুটা প্ৰব্ৰজনকাৰী দলে দুটা দিশৰ পৰা সমৃদ্ধিশালী ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰিছিল।

১/ এটা উত্তৰদিশৰ পৰা তিস্তা, ধনা, সোণকোষ নদীৰ উপত্যকাইদি আহি উত্তৰ পূব বঙ্গ আৰু পশ্চিম অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰি কামৰূপ নামৰ এখন শক্তিশালী ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

২/ আনটো প্ৰব্ৰজনকাৰী দলে উত্তৰ-পূৰ দিশেদি সোৱণশিৰি, দিবং আৰু দিহং উপত্যকাইদি আহি পূৰ অসমত বিস্তাৰিত হৈছিল।


এণ্ডলে ব্ৰহ্মপুত্ৰ নদীক বিভাজনকাৰী ৰেখা হিচাপে লৈ কছাৰীসকলক দুটা ভাগত ভাগ কৰিছে - (১) উত্তৰ গোষ্ঠী আৰু দক্ষিণ গোষ্ঠী। উত্তৰ গোষ্ঠী ভিতৰত (১) বড়ো, (২) ৰাভা ,(৩) মেচ ,(৪) ধিমল , (৫) কোঁচ, (৬) চলনিমীয়া, (৭) মহলীয়া , শৰণীয়া আৰু দক্ষিণ গোষ্ঠীত (১) ডিমাছা,



Scanned by CamScanner

(২) হোজাই, ৩) লালুং, ৪) গাৰো, ৫) হাজং, ৬) পৰ্বতীয়া তিপ্ৰা সকলক অন্তভুক্ত কৰিছে।

(৪) ড° ভূৱনমোহন দাসে প্ৰব্ৰজন অনুসৰি বড়ো গোষ্ঠীৰ এই বিভাজনক পুনৰ দুটা ভাগত ভাগ কৰিছে। (১) পশ্চিম গোষ্ঠী (২) পূব গোষ্ঠী।




গতিকে দেখা যায় বড়ো মূলৰ পৰা সৃষ্টি হৈ সমগ্ৰ অসমত বসবাস কৰি থকা মঙ্গোলীয় কিৰাত বা কছাৰীসকলক বেলেগ বেলেগ অঞ্চলত বেলেগ বেলেগ নামেৰে জনা যায়।

প্লেফেয়াৰৰ মতে কছাৰীসকলৰ লগত মিল থকা গাৰোসকল তিব্বতৰ পৰা আহি গোৱালপাৰাইদি ব্ৰহ্মপুত্ৰ পাৰ হৈ গাৰো পাহাৰলৈ আহে। ৰাভা, হাজং, মেচ আদিয়ে কামৰূপ আৰু গোৱালপাৰাত বসতি কৰেহি। এই বড়ো গোষ্ঠীৰে কিছুমান লোকে ৰাজ্য বিস্তাৰৰ কাৰণে পূবফালে আহি উজনি অসমত ঠেঙ্গাল, সোণোৱাল, ঝাৰুৱা নামেৰে জনাজাত হয়।

কছাৰী বুৰঞ্জী আৰু অন্যান্য বুৰঞ্জীত হেড়ম্বিয়াল ফৈদৰ কছাৰী ৰজাসকলৰ কিছু স্পষ্ট বিৱৰণ পোৱা যায়। হেড়ম্বিয়াল কছাৰীসকলে হেড়ম্ব ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। সেই ৰাজ্যৰ প্ৰথম ৰজা আছিল চচেমফা, চচেমফাৰ পাছত বীৰহাস আৰু বীৰহাসৰ পাছত তেওঁৰ পুতেক বিচাৰ পতিফা হেড়ম্ব ৰাজ্যৰ ৰজা হৈছিল। খৃষ্টীয় ত্ৰয়োদশ শতাব্দীত এই ফৈদ কছাৰীৰ ৰাজ্য ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে দিখৌৰ পৰা কলংনৈলৈকে বিস্তৃত আছিল। ইয়াৰ ভিতৰত ধনশিৰি উপত্যকাখণ্ডত সিবিলাকৰ প্ৰভুত্ব আছিল আৰু কাছাৰ পাহাৰৰো কিয়দাংশ সিবিলাকৰ দখলত আছিল। ১২২৮ খৃঃত হোম ৰজা চুকাফাই অসমত প্ৰৱেশ কৰি বিনা যুদ্ধই পূবফালৰ কছাৰী ৰাজ্য ক্ৰমাৎ দখল শদিয়া অঞ্চলীয়া কছাৰীবিলাকক দিখৌ পাৰ কৰি পশ্চিমলৈ খেদি পঠোৱাত, সিবিলাক আহি ধনশিৰি ভৈদীয়া হেড়ম্বিয়াল কছাৰীৰ লগত লগ লাগে।

আহোমৰ চুহুংমুং দিহিঙ্গীয়া ৰজা বা স্বৰ্গনাৰায়ণ ৰজাৰ দিনত কছাৰী ৰাজ্যৰ বিপযয় আৰম্ভ হয়। ১৫২৬ খৃঃত এইজন ৰজা আৰু কছাৰীৰ



Scanned by CamScanner

খুনকৰা ৰজাৰ মাজত ধনশিৰীৰ পাৰত যি যুদ্ধ হৈছিল সেই যুদ্ধত কছাৰীৰ জন্ম হৈছিল যদিও ১৫৩১ খৃঃ আৰু ১৫৩৬ খৃঃৰ যুদ্ধত কছাৰী ৰজাৰ শোচনীয়ভাৱে পৰাজয় হৈছিল। ১৫৩১ খৃঃৰ যুদ্ধত আহোম সেনাই কছাৰী সেনাক পিছুৱাই নি একেবাৰে সিবিলাকৰ ডিমাপুৰ নগৰ আক্ৰমণ কৰিলেগৈ, কছাৰী ৰজা খুনখৰা নিৰুপায় হৈ পলাল, কিন্তু তেওঁৰ ভায়েক ভেটচাক ধৰি বধ কৰিলে।

## ১.০২ ঠেঙ্গাল কছাৰীৰ পৰিচয়ঃ

ঠেঙ্গালকছাৰী লোকসকল অসমীয়া জাতিৰ অন্যতম অংগ। অসমত বসবাস কৰি থকা ইণ্ডো-মঙ্গলয়ড পৰিয়ালৰ কছাৰী গোষ্ঠীৰ এটা ঠাল হ'ল ঠেঙ্গালসকল। ঠেঙ্গালসকলৰ প্ৰধান বসতিস্থল উজনি অসম। সামাজিক-সাংস্কৃতিক বিশেষত্বৰ দিশৰ পৰা বৃহৎ কছাৰী গোষ্ঠীৰ এটা শাখা হিচাপে চিহ্নিত হোৱা ঠেঙ্গাল সকলৰ সন্দৰ্ভত ঐতিহাসিক তথ্য যথেষ্ট কম। ঠেঙ্গাল শব্দটোৰ উৎপত্তি সম্পৰ্কেও গ্ৰন্থসমূহে সম্ভেদ দিব পৰা নাই। একাংশ পণ্ডিতে কেৱল কছাৰী জনগোষ্ঠীৰ এটা শাখা হিচাপেহে ঠেঙ্গাল নাম উল্লেখ কৰিছে। এইক্ষেত্ৰত অভিধানগত অৰ্থ বিচাৰ কৰিলে হেমকোষৰ চতুৰ্দশ সংস্কৰণত ঃ ঠেঙ্গাল, ঠেঙ্গাল বি. বৃহৎ কছাৰী ফৈদৰে এটা শাখা। সোণোৱাল কছাৰীসকলৰ এটা ঠাল বুলিও বুৰঞ্জীত উল্লেখ পোৱা যায়।

"টাইবচ অৱ আচাম পাৰ্ট-১" গ্ৰন্থত বড়ো কছাৰী জনগোষ্ঠীৰ পৰিচয় দিবলৈ গৈ অসমৰ মঙ্গোলীয় বা কছাৰী বা বড়োসকলক উজনি অসমত সোণোৱাল বা কছাৰী নামেৰে জনা যায় বুলি কৈছে।

ত্ৰয়োদশ শতিকাত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে দিখৌৰ পৰা কলংলৈকে আনকি দিখৌৰ পূৱ আৰু কাছাৰৰ কিছু অংশলৈকে ৰাজ্য বিস্তাৰ কৰি থকা ধনশিৰি উপত্যকাৰ শক্তিশালী কছাৰী গোষ্ঠীটোৰ এটা ফৈদ ডিমাছা, এটা ফৈদ বৰ্মণ আৰু ডিমাপুৰৰ পৰা ঘূৰি আহি কাছমাৰিত কছাৰী ৰাজ্য প্ৰতিষ্ঠা কৰা ফৈদটো ঠেঙ্গাল কছাৰী নামেৰে জনাজাত হ'ল। ঠেঙ্গাল ৰাজ্য যে যথেষ্ট উন্নত, পৰিকল্পিত আছিল কাছমাৰিৰ পুৰণি কীৰ্তিস্মম্ভই তাৰেই ইঙ্গিত দিয়ে।

জংবাহাদুৰ ৰজাই তেওঁৰ ৰাজ্যৰ সৈন্য বাহিনীৰ বাদেও প্ৰজা বৰ্গক একুৰি এটা ভাগত ভাগ কৰি প্ৰতি ভাগক বেলেগ বেলেগ দোমৰ দায়িত্ব দি বেলেগ বেলেগ নাম দিছিল। যি যিটো বিষয়ত পাৰ্গত আছিল তেওঁক সেই টোৰ লগতে অন্তৰ্ভূক্ত কৰিছিল। ঠেঙ্গাল শব্দৰ লগত "আল" প্ৰত্যয় লগ লাগি "ঠেঙ্গাল" হোৱাৰ দৰে তেওঁলোকৰ কৰ্ম বা ব্যৱসায়ৰ পাছত "আল" নাইবা "ইয়াল" যোগ কৰি কামৰ দায়িত্ব বুজোৱা হৈছিল। যথা - ১) হাজোৱাল-খেতিয়ক, ২) মণিকিয়াল- মাণিক বুটলালোক, মুক্তাল বা মুকতিয়াল- মুকুতা সংগ্ৰহ কৰোঁতা, ইত্যাদি ৰাজ ভঁড়াললৈ সামগ্ৰী সংগ্ৰহ কৰা লোক।

ৰজা ঘৰৰ এই দায়িত্বৰ বাদেও সকলো ঠেঙ্গাল কছাৰীয়ে যুদ্ধৰ




Scanned by CamScanner

সময়ত দেশ ৰক্ষাৰ বাবে শত্ৰুৰ বিৰুদ্ধে থিয় দিব লগা হৈছিল আৰু অন্য সময়ত নিজৰ জীৱিকাৰ বাবে খেতি-বাতি কৰা, এৰী, মুগা, পাট পলু পোহা, সূতা কটা, তাঁতবোৱা, কাঁহ-পিতলৰ বাচন-বৰ্তন তৈয়াৰ কৰা, বাঁহ-কাঠ বেতৰ ঘৰুৱা সামগ্ৰী সজা, গৰু-ম'হ পোহা, নদী-জান জুৰিত মাছধৰা আদি সকলো কামতে ব্যস্ত থাকিব লগা হৈছিল।

ঠেঙ্গাল কছাৰীৰ কিছুমান লোকে বাসুদেৱ মহন্তৰ ওচৰত শৰণ লৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল যদিও তেওঁলোকৰ পূৰ্বৰ পৰম্পৰা ত্যাগ কৰা নাছিল। আনকি আহোম ৰাজ্যত বসবাস কৰিবলৈ লৈছিল যদিও আহোমৰ শাসন সম্পূৰ্ণৰূপে মানি ল'বলৈ টান পাইছিল। সেয়েহে মোৱামৰীয়া উপদ্ৰৱৰ গোন্ধ পাওঁতেই স্বৰ্গদেউ লক্ষ্মীসিংহই এজন দূত পঠিয়াই বচাৰ কছাৰী সকলক শৰণ লগাবলৈ সেই সময়ৰ আউনীআটি সত্ৰৰ অধিকাৰ প্ৰাণহৰিদেৱলৈ বাৰ্তা পঠিয়ালে।

মোৱামৰীয়া বিদ্ৰোহৰ সময়ত মৰাণৰ লগত লগ লগা বচাৰ অভকতীয়া কছাৰীখিনি ১৭৯৮ খৃঃৰ মোৱামৰীয়া বিদ্ৰোহত আহোমৰ হাতত বন্দী হয়। এই বন্দী হোৱা ঠেঙ্গাল কছাৰীখিনিক বোধহয় আন আন সোণ কমোৱা মানুহৰ লগত সোৱণশিৰীত সোণ কমোৱা কামত লগাইছিল।

(৪) ড° ভুবনমোহন দাসৰ "The People of Assam" গ্ৰন্থৰ মতে ঠেঙ্গাল কছাৰীৰ অৱস্থান এনেদৰে —




শংকৰদেৱ আৰু মাধৱদেৱৰদ্বাৰা প্ৰচাৰিত নৱ-বৈষ্ণৱ ধৰ্মৰ অদৰ্শই ঠেঙ্গাল কছাৰীসকলক পঞ্চদশ-ষষ্ঠদশ শতিকাতে স্পৰ্শ কৰিছিল। কাছমাৰীৰ ৰজা চক্ৰধ্বজৰ দিনতে বাসুদেৱ গোঁসাইৰ দ্বাৰা বৈষ্ণৱ ধৰ্মত দীক্ষিত হ'লেও সম্পূৰ্ণৰূপে ঠেঙ্গালসকলে বৈষ্ণৱ ধৰ্মত আদৰ্শ গ্ৰহণ কৰিব পৰা নাছিল। পূৰ্বৰ পৰম্পৰা মানি চলাৰ উপৰিও তেঁওলোকে আহোমৰ শাসন মানি ল'বলৈও টান পাইছিল।দৈয়াং বচাৰ কছাৰীবিলাক কেতিয়াও বিশ্বস্ত প্ৰজাৰূপে গণ্য কৰিব পৰা বিধৰ নাছিল। আউনীআটীৰ শৰণীয়া হ'লে ৰজা কিছু আশ্বস্ত হ'ব বুলি ভাবিয়েই গোসাইলৈ বাৰ্তা পঠিয়াইছিল। প্ৰাণহৰিদেৱেও সবৈষ্ণৱে মহা পয়োভৰে গৈ সেই ঠাইৰ সৰহভাগ কছাৰীলোককে শৰণ লগালে। তেতিয়াৰপৰা আউনীআটী সত্ৰত পূৰ্বৰ বচাৰে সৈতে নগা পাহাৰৰ পৰা যোৰহাট নগৰলৈকে এই বিস্তৃত অঞ্চলৰ



Scanned by CamScanner

নাম "ঠেঙ্গাল চহৰ" হ'ল। আউনীআটী সত্ৰৰ অন্তৰ্ভূক্ত বৃহৎ অঞ্চলত আঞ্চলিকভেদে কেইবাখনো ঠেঙ্গাল চহৰৰ নামকৰণ হ'ল। সেই কেইখন হ'ল - ১) উত্তৰ ঠেঙ্গাল চহৰ, ২) বৰ ঠেঙ্গাল চহৰ, ৩) দৈয়াং ঠেঙ্গাল চহৰ, ৪) মৰঙ্গি ঠেঙ্গাল চহৰ, ৫) মৰঙ্গি ঠেঙ্গাল বৰচহৰ। কছাৰীসকলৰ শেষ ৰজা তুলাৰাম বৰ্মন আছিল। কাছমাৰীত তুলাৰাম বৰ্মণে বহুতো মন্দিৰ নিৰ্মাণ কৰোৱা বুলি তথ্য পোৱা যায়।

## ১.০৩ ঠেঙ্গাল কছাৰী সামাজিক ৰীতি নীতি ঃ-

ঠেঙ্গাল কছাৰীসকলে অতীতৰ পৰাই সমাজ পাতি বসবাস কৰি আহিছে আৰু বৰ্তমান অসমীয়া সামাজিক জীৱনৰ লগত সাঙোৰ খাই আছে। ঠেঙ্গাল কছাৰী সমাজখন পুৰুষ প্ৰধান হিচাপে যৌথ পৰিয়ালভুক্ত। পিতৃয়েই পৰিয়ালৰ মুখ্য লোক। .

প্ৰাচীন কালত ঠেঙ্গালসকলৰ সমাজ 'কৈৰাতজ' ধৰ্মীয় গাঠনিৰে পৰিচালিত আছিল। পঞ্চদশ শতিকাত মহাপুৰুষ শংকৰদেৱে নৱ-বৈষ্ণৱ একশৰণ নামধৰ্ম প্ৰচাৰ কৰি অসমৰ চুকে-কোণে যি সামাজিক আদৰ্শ দাঙি ধৰিছিল সেই আদৰ্শত ঠেঙ্গাল কছাৰীসকলো অনুপ্ৰাণিত হয়। সমাজত একোখন গাঁৱৰ সমাজ গঠনৰ আহিলা হিচাপে নামঘৰ প্ৰতিষ্ঠা হ'ল। ধৰ্মীয় সাংস্কৃতিক আৰু সামাজিক ক্ষেত্ৰত নামঘৰ তেওঁলোকৰ সমাজত এক অভূতপূৰ্ব ভূমিকা গ্ৰহণ কৰিলে। অন্যহাতে ঠেঙ্গাল কছাৰীৰ সমাজ ব্যৱস্থা সামাজিক জীৱনত নাৰীৰ স্থানো পুৰুষৰ সমানেই।

### ১.৩.১ অৰ্থনৈতিক জীৱন ঃ-

ঠেঙ্গাল কছাৰী অধিকাংশ লোক গাঁৱত বসবাস কৰি কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰশীল হৈ জীৱন নিৰ্বাহ কৰে। ধান তেওঁলোকৰ প্ৰধান খেতি। গৰু, মহ, হাঁহ-পাৰ, কুকুৰা, ছাগলী আদি পুহি সেইবোৰ বিক্ৰী কৰিও জীৱিকা উলিয়ায়। বাৰীত তামোল-পাণ জাতিগত বৈশিষ্ট্য বাঁহ খেতি, আলু-কচু, অন্যান্য ৰবি শস্যৰ খেতি কৰি আৰ্থিক সমস্যা সমাধান কৰে।

### ১.৩.২ উৎসৱ-পাৰ্বণ ঃ

ঠেঙ্গাল কছাৰীসকলে তেওঁলোকৰ নিজা সামাজিক উৎসৱ, পূজা-পাতলসমূহ যথা নিয়মে পালন কৰাৰ দৰে অসমৰ জাতীয় উৎসৱ বিহুকো পৰম্পৰাগতভাৱে পালন কৰে। ঠেঙ্গাল কছাৰীসকলৰ মাজত তৰাছিৰা বিহু বা কলি-হুচৰি, বোকা বিহু আৰু নৰাছিৰা বিহু প্ৰচলিত অসমীয়া সংস্কৃতিৰ পৰম্পৰাগত প্ৰথা অনুসৰি কাতি বিহু আৰু মাঘৰ বিহু যথা ৰীতিমতে পালন কৰি আহিছে।



Scanned by CamScanner

### ১.৩.৩ খাদ্যসম্ভাৰ ঃ-

ঠেঙ্গাল কছাৰীসকলৰ প্ৰধান খাদ্য ভাত, শাক-পাচলি খোৱাৰ লগতে মাছ-মাংস ঠেঙ্গালসকলে খোৱা দেখা যায়। কাছ, কুচিয়া, কেঁকোৰা, জিপাঙ্কৰী, আমৰলি, নিংকৰি, এৰী, লেতা, মুগা পলু, চাকচন, কঁদো-বৰল আদি ঠেঙ্গালসকলৰ প্ৰিয় খাদ্য। শুকান মাছ, শুকান মাংস জনজাতিসকলৰ সুষম খাদ্য। তেওঁলোকে শুকান মাছ খুন্দি গুৰি কৰি চুঙা বা মাটিৰ টেকেলিত ৰাখি থয়। ইয়াকে শুকতি মাছ বোলে। শুকান মাছ, শুকতি মাছ, শুকান মাংস, খৰিচা, কাহুদি, খালি, পানীটেঙা, শোকোতা আদি ঠেঙ্গালৰ সঞ্চিত খাদ্য।

### ১.৩.৪ সাজ-পোচাক ঃ

অসমীয়া মানুহৰ স্বাভাৱিক সাজ-পাৰ ঠেঙ্গাল কছাৰী পুৰুষসকলে পৰিধান কৰে। তিৰোতাসকলে অসমৰ জনজাতীয় সমাজত প্ৰচলিত বুকুত মেখেলা আৰু মেঠনি মাৰিছিল। মহিলা সকলে ব্লাউজ ব্যৱহাৰ কৰা দেখা নাযায়।

ঠেঙ্গাল কছাৰীসকলে অতীজৰে পৰা সোণ-ৰূপৰ অলংকাৰ ব্যৱহাৰ কৰি আহিছে। কছাৰী সমাজত অতীজতে পুৰুষসকলে বিভিন্ন অলংকাৰ হাত, কাণ আৰু ডিঙিত পিন্ধিছিল। আধুনিক সভ্যতাৰ ফলত ঠেঙ্গালসকলৰ সামাজিক জীৱনধাৰা পৰিৱৰ্তন হৈ আহিছে।

### ১.৩.৫ ধৰ্ম-বিশ্বাস আৰু পূজা-পাতল ঃ

ঠেঙ্গাল কছাৰীসকলৰ ধৰ্ম মূলত কৈতৰাজ। কৈতৰাজ ধৰ্মৰ মূল উপাস্য দেৱতা শিৱ। ঠেঙ্গাল কছাৰীসকলে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰা, বাসুদেৱ গোসাঁইৰ দিনৰে পৰা বৈষ্ণৱ ভক্ত হিচাপে প্ৰাণহৰি গোসাঁই লৈ আউনীআটী সত্ৰৰ শিষ্য। তেওঁলোকে বৈদিক আচাৰ-নীতি পালন কৰে। ঘৰুৱা অপায়-অমঙ্গল দূৰ কৰিবলৈ বিহুৰে সংক্ৰান্তিয়ে মৃতকক দিয়া আৰু পিৰ দিয়া পূজা পাতে, শনি ৰাহু কেতুৰ চাউল খুওৱা, গুৰু পৰ্মাণ খুওৱা, আই চাউল খোৱা, অপেশ্বৰী সবাহ, ভঁড়ালত লখিমী সোমোৱা সবাহ, আয়ুস তোলা সবাহ আদি অনেক পূজা-পাতল, ম-নিকাম ঠেঙ্গাল কছাৰীসকলে পালন কৰে। দেৱ-দেৱী, ভূত-প্ৰেতলৈ যথা ৰীতিৰে পূজা আগবঢ়ায়।

### ১.৩.৬ বিবাহ কাৰ্য ঃ

বিবাহ মানৱ সমাজৰ এক প্ৰাণময় উৎসৱ। ঠেঙ্গাল কছাৰীসকলৰ মাজত বিশেষকৈ চাৰি প্ৰকাৰৰ বিয়াৰ প্ৰচলন, যেনে-



Scanned by CamScanner

১) তোলনি বিয়া, ২) বৰ বিয়া, ৩) আবিয়ে বিয়া, ৪) পলাই যোৱা বিয়া বা পলুৱাই নিয়া বিয়া।

ঠেঙ্গাল কছাৰীসকলৰ মাজত প্ৰচলিত বৰ বিয়া আৰু অবিয়ে বিয়াৰ বৈশিষ্ট সুকীয়া। ব্ৰাহ্ম অনুসাৰে বৈদিক প্ৰথাৰে হোমগ্নি কৰি পতা বিয়াক বৰ বিয়া আখ্যা দিয়ে আৰু সাধাৰণভাৱে ৰাইজৰ আৰ্শীবাদ গ্ৰহণ কৰি, তেল-শলিতা জ্বলাই পতা বিয়া আবিয়ে বিয়া বা জোৰণ দিয়া বিয়া বুলি কয়।

## ১.৩.৭ শিল্প-সংস্কৃতি ঃ

কছাৰীসকল সোণ, ৰূপ, তাম, লো, তীখা আদিৰ লগত জড়িত আছিল। ৰূপ সংগ্ৰহৰ বাবেই ৰূপোৱাল কছাৰী হিচাপে জনাজাত। ঠেঙ্গালসকল কুটীৰ শিল্পত যথেষ্ট নিপুণ। তেওঁলোকে বয়ন শিল্পৰ সঁজুলিসমূহ আৰু খেতিৰ সঁজুলি - নাঙল, যুঁৱলি, মৈ, শ'লমাৰি, ডিলামাৰি, ওখোন, ৰাইনা আদি তৈয়াৰ কৰাত পাকৈত।

ঠেঙ্গাল কছাৰীসকলে হাবিৰ মুগা ঘৰচীয়া কৰিছিল। এৰী পোহা ঠেঙ্গাল কছাৰীসকলৰ জাতীয় পৰম্পৰা। এৰি মুগা পুহি তাৰ পৰা সূতা কাটি বিভিন্ন পোচাক তৈয়াৰ কৰি লয়।

## ১.৩.৮ মৃতকৰ সংকাৰ ঃ

ঠেঙ্গাল কছাৰীসকলৰ মাজত মৰা শ দাহ কৰা বা পুতি থোৱা দুয়োটা প্ৰথাই আছে। ব্যক্তি এজনৰ মৃত্যুৰ পিছত বহুতো নিয়ম নীতি পালন কৰা হয়। ঠেঙ্গাল কছাৰী সমাজত গুৰুৰ ওচৰত শৰণ লোৱাটো বাধ্যতামূলক। ঠেঙ্গাল কছাৰীসকলে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।



Scanned by CamScanner

## ২.০ দ্বিতীয় অধ্যায় ঃ

### ২.০১ বিবাহৰ পৰিচয় ঃ

বিবাহ হৈছে এক সামাজিক বান্ধোন। এই বিবাহ অনুষ্ঠান সংস্কৃতিৰ ভিতৰুৱা। ইয়াৰ লগত কিছুমান ধৰ্মীয় ৰীতি-নীতি জড়িত হৈ আছে।বিবাহ মানুহৰ জীৱনৰ এটা অপৰিহাৰ্য নৈমিত্তিক কাৰ্য্য। চিৰিল কৰ্ণালে অবিবাহিতা মানুহক অসম্পূৰ্ণ আৰু আধা মানুহ বুলি কৈছে।

বিবাহ আবেগৰ বস্তু নহয়। ই মানুহৰ জীৱনৰ এক ধৰ্মীয় তথা মাংগলিক অনুষ্ঠান। মানৱীয় সহনশীলতা, ভালপোৱা আদিৰে বোলাই বৈবাহিক জীৱনক আমি সুন্দৰ কৰি তুলিব পাৰোঁ। অতীজৰে পৰা সকলোৱে বিবাহক সমৰ্থন কৰি আহিছে আৰু তাক পালন কৰি আহিছে। এই বিবাহে নাৰী-পুৰুষ উভয়কে উভয়ৰ ওচৰত আশ্ৰয় আৰু সদায় সাৰথি প্ৰদান কৰে। প্ৰতিজন মানুহৰে জীৱন যাত্ৰাৰ পথ সুকীয়া হোৱাৰ দৰে সুখৰ সংজ্ঞাও বেলেগ বেলেগ।

ঠেঙ্গালসকলৰ ক্ষেত্ৰতো বিবাহ এটা আনন্দমুখৰ উৎসৱ আৰু এই উৎসৱ অসমৰ সাধৰণ শ্ৰেণীৰ লোকৰ বৈবাহিক উৎসৱৰ সৈতে কোনো পাথৰ্ক্য নাই যদিও লোকাচাৰৰ মাজত সামান্য পাথৰ্ক্য দেখা যায়। সেয়া আমি আলোচনা কৰিলে দেখা পাওঁ ৭০ৰ দশকৰ আগলৈ অঞ্চলভেদে ঠেঙ্গালসকলৰ মাজত বিয়া ২ দিনৰ পৰা ৭ দিনলৈ চলিছিল। বৰ্তমান ইয়াৰ পৰিসৰ চুটি হৈ আহিছে আৰু দীঘলীয়া প্ৰথাৰ সামৰণি পৰি আহিছে। তথাপি ভাৰতীয় আৰ্য সমাজৰ দ্বাৰা স্বীকৃত আঠ প্ৰকাৰৰ বিবাহৰ ভিতৰত ৰাক্ষস, গন্ধৰ্ব আৰু প্ৰজাপত্য বিবাহেই ঠেঙ্গাল সমাজতো প্ৰচলিত। প্ৰাচীন কালৰ ঠেঙ্গালসকলৰ বিবাহ ভাৰতীয় আৰ্য সভ্যতাৰ চেপাত সোপাই আজিৰ ৰূপ পৰিগ্ৰহণ কৰিছে।

বিবাহৰ পূৰ্বে ঠেঙ্গালসকলেও দৰা-কইনাৰ ৰাহি-গণ আদি জ্যোতিষী বা গণকৰ দ্বাৰা চোৱাই লয় আৰু সেইমৰ্মে বিবাহ সম্পন্ন হয়। অৱশ্যে ডেকা গাভৰুৰ মনৰ মিলন হ'লে ছোৱালী পলুৱাই আনিও বহুতে বিবাহ পাতে। তেতিয়াও কিছু পৰৱৰ্তী কৰণীয় কাম কৰিব কৰিব লগা হয়। অৰ্থাৎ এনেদৰে পলুৱাই আনিলে বা চপনীয়া ঘাটিলে সমাজৰ দায়গ্ৰস্ততাৰ পৰা উদ্ধাৰ পাবলৈ ৰাইজক ৰাইজে নিৰ্দিষ্ট কৰি দিয়া উদ্ধৰণি দি সমাজ ল'ব লাগে।

সাধাৰণতে নিজ নিজ সম্প্ৰদায়ৰ মাজতে ঠেঙ্গালসকলে বিয়া অনুষ্ঠিত কৰে। অৱশ্যে আন আন সম্প্ৰদায়ৰ ছোৱালী অনাত বাধা নাই। একে বংশৰ ভিতৰত তেওঁলোকৰ বিয়া হোৱা নিষেধ। বিশেষকৈ পুৰুষৰ ক্ষেত্ৰত এই নিয়ম অতি কঠোৰ। বিশেষ কাৰণত একে বংশৰ মাজত বিয়া হ'লেও উপযুক্ত দণ্ড, জৰিমনা আৰু উদ্ধাৰ পৰাচিত হ'লেহে তেওঁলোকক সমাজে গ্ৰহণ কৰে। পৰাচিত নোহোৱা পৰ্যন্ত তেওঁলোকক সমাজৰ পৰা বৰ্জন কৰি ৰখা হয়। উল্লেখনীয় যে বাল্য বিবাহ আৰু বৰ্তমান সময়ৰ আধুনিকতা ব্যাধি বিবাহ বিচ্ছেদ ঠেঙ্গালসকলৰ মাজত নাই



Scanned by CamScanner

বুলিয়েই ক'ব পাৰি। অন্য সম্প্ৰদায়ৰ মাজত সততে দেখিবলৈ পোৱা বহু বিবাহ আৰু যৌতুক প্ৰথা ঠেঙ্গাল সমাজত প্ৰায় নাই। ঠেঙ্গালসকলৰ মাজত প্ৰাচীন কালত বিবাহৰ বিশেষ নিয়ম নাছিল বুলি কেইবাজনো বিশিষ্ট লেখকে মন্তব্য কৰা দেখা গৈছে। তেওঁলোকৰ মতে ঠেঙ্গালসকলৰ মাজত ধন দি ছোৱালী আৰু ঘৰ জোঁৱাই খাটি ছোৱালী বিয়া কৰোৱা প্ৰথা প্ৰচলিত আছিল। এনে প্ৰথা আন সম্প্ৰদায়ৰ মাজতো এটা সময়ত প্ৰচলিত আছিল যদিও বৰ্তমান লুপ্তপ্ৰায়।

যিহেতু বিবাহ এক সামাজিক সংস্কৃতি, সেয়ে ই এখন ঘৰৰ লগতে এখন সমাজ ধৰি ৰখাত সহায় কৰে।

## ২.০২ বিবাহৰ শ্ৰেণী বিভাগ ঃ

অসমৰ বিভিন্ন জাতি-জনজাতিৰ মাজত বিবাহৰ ক্ষেত্ৰত কিছুমান নিজস্ব বৈশিষ্ট্য দৃষ্টিগোচৰ হয়, এইবোৰৰ ইটো জনজাতিৰ লগত সিটো জনজাতিৰ মিল দেখা নাযায়। অসমীয়া তথা অন্য বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত বিবাহে এক অনন্য স্থান লাভ কৰি আহিছে। ঠেঙ্গাল সমাজৰ মাজতো বিবাহৰ ক্ষেত্ৰত কিছুমান নিৰ্দিষ্ট ৰীতি-নীতি আছে। পতি-পত্নী হিচাবে বসবাস কৰিবলৈ সামাজিক স্বীকৃতিৰ প্ৰয়োজন, ইয়াক বিবাহৰ জৰিয়তেহে লাভ কৰা সম্ভৱপৰা হয়।

ঠেঙ্গাল কছাৰীসকলৰ বৈবাহিক ৰীতি কিছু সুকীয়া পৰম্পৰা পৰিলক্ষিত হয় যিটোৱে তেওঁলোকৰ নিজা জনগোষ্ঠীয় বৈশিষ্ট্য ৰক্ষা কৰি আহিছে।

ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে লাভ কৰা তথ্য মতে ঠেঙ্গাল সমাজত চাৰি প্ৰকাৰৰ বিবাহ দেখা যায়।

১/ নোৱাই তোলনি বা তোলনি বিয়া
২/ জোৰণ পিন্ধাই অনা বা আবিয়ৈ বিয়া
৩/ পলোৱাই অনা বিয়া (গন্ধৰ্ব বিবাহ)
৪/ বৰ বিয়া বা হোমপোৰা বিয়া

## ২.২.১ নোৱাই তোলনি বা তোলনি বিয়া ঃ

ছোৱালীসকলৰ যৌৱন প্ৰাপ্তিৰ সময়ক বা প্ৰথম ঋতুমতী হোৱাকে কন্যাকাল বুলি কোৱা হয় (৫)। এই কন্যাকাল প্ৰাপ্তিৰ সময়ছোৱাত যিবোৰ অনুষ্ঠান, নীতি-নিয়ম আৰু পৰম্পৰা পালন কৰা তাক কোৱা হয় নোৱাই তোলনি বিয়া বা তোলনি বা শান্তি বিয়া। এই বিয়াত পুৰুষৰ অংশ গ্ৰহণ তেনেই সীমিত আৰু মহিলাসকলে উৎসাহেৰে এই বিয়াত অংশ গ্ৰহণ কৰি তোলনি বিয়াক অধিক ৰঙিয়াল কৰি তোলে। ঠেঙ্গাল কছাৰীসকলৰ মাজতো এই বিয়া অতি জনপ্ৰিয় আৰু উৎসৱমুখৰ পৰিৱেশত এই বিয়াৰ আনুষ্ঠানিকতা পালন কৰা হয়।

ছোৱালীজনী পুষ্পিতা হ'লে এটা আছুতীয়া ঘৰত বা মজিয়াত খেৰ



Scanned by CamScanner

পাৰি তাৰ ওপৰত পাটী পাৰি বিচনা কৰি ৰখা হয়। চন্দ্ৰ-সূৰ্য আৰু পুৰুষে এই সময়ত ছোৱালীজনী দেখিলে অমংগল হয় বুলি এটা বিশ্বাস আছে। সেই কাৰণে কোনেও নেদেখাকৈ এটি আছুতীয়া কোঠাত ৰখা হয়। এই দিনকেইটাত পৰিষ্কাৰকৈ ৰখা হয় আৰু ছোৱালীজনীক ফলমূল মগুহে খাবলৈ দিয়া হয়। চাৰিদিনৰ দিনা চাৰিডাল পাটিদৈৰে বেই সাজি গা ধুৱায়। গা ধুওৱাৰ আগেয়ে বেইৰ তলত তিনিপাক ঘুৰোৱা হয়। পূবলে মুখ কৰি গা ধুওৱা হয় আৰু খেৰৰ পৰা তৈয়াৰ কৰা খাৰেৰে গা ধুওৱা হয়। ধুৱাবলৈ নিওতে মাকে নেদেখাকৈ কাপোৰ এখন দি নিয়া হয়।

## ২.২.১.১ বিয়াৰ তাৰিখ নিৰ্দ্ধাৰণ ঃ

(৬) ছোৱালী এগৰাকী ঋতুমতী হোৱাৰ লগে লগে বাপেক বা খুৰাক আদিয়ে প্ৰথমেই গণক বা জ্যোতিষীৰ ওচৰলৈ যায় আৰু ঋতুকালীন সময় বাৰ আদি গণকক চাবলৈ কয়। গণকজনে সকলো চাই-চিতি কেইদিনত বিয়া পাতিব পাৰিব আৰু কিবা যদি গ্ৰহদোষ বা অন্যদোষ আছে তাক নিৰাময় কৰিবলৈ বিধান দিয়ে। গণকৰ গণনা অনুসৰি কিছুমানে সাতদিন, নদিন বা এঘাৰ দিনত এই বিয়া উৎসৱ পালন কৰা হয়।

## ২.২.১.২ কনাই ঃ

ছোৱালীজনীয়ে কন্যাকাল পোৱাৰ লগে লগে পাটি পাৰি মাটিত থাকিবলৈ দি শোৱা পাটীৰ পূব দিশত চাকি-বন্তি জ্বলাই চাউলেৰে পৰিপূৰ্ণ এটি দুনৰি আৰু কল একাষি থৈ সেই দিনাই কনাই বন্ধা হয়। ইয়াকে কনাই বুলি কোৱা হয় আৰু কনাই খেমালি কৰোতে কনাইটি লৈ সকলোৱে কনাইটিক চুমা খায়। কইনাৰ কোলাত মহিলাসকলে কনাই দি আকৌ আনে আকৌ দিয়ে, আকৌ আনে এনেধৰণে কইনাগৰাকীক উছৰ্গা আদিও সেই সময়ত দিয়ে। ইয়াকে কনাই খেমালি বুলি কোৱা হয়।

## ২.২.১.৩ বিবাহ আৰু অন্যান্য ঃ

বিয়াৰ আগদিনা গাঁৱৰ তিৰোতাসকল আহি আখৈ ভাজে, আখৈ তুলনি বিয়াত অপৰিহাৰ্য। গাঁৱৰ সকলোৱে মিলি বিয়াৰ আগদিনা বা বিয়াৰ পুৱাতে ৰভা আদি সাজে আৰু ওপৰত কলপাত আদি দিয়ে। এই ৰভাৰ স্থান আজিকালি টেণ্ট হাউছে লোৱা দেখা যায়। বিয়াৰ দিনা ছোৱালীজনীক গা ধুৱাবলৈ বেই সজা হয়। সেই বেইৰ তলত কইনাক মাকে মা-হালধিৰে গা ধুৱায়। আয়তীসকলে মাকক সহযোগ কৰে আৰু আয়তী সকলে নানা ধৰণৰ বিয়াৰ গীত-পদ গায়। কইনাৰ মূৰত তেল টেঙা ঘহি গা ধুৱায়। আয়তীয়ে উৰুলি আৰু জাত জাত বিয়া নামে পৰিৱেশটো সলনি কৰি দিয়ে। কইনাক কোনোবা এজনে দাঙি ঘৰৰ ভিতৰলৈ নিয়ে। ভৱিষ্যৎ দাম্পত্য জীৱনৰ প্ৰচুৰ সম্ভাৱনীয় ইংগিতেৰে পৰিপূৰ্ণ তোলনি বিয়া উৰ্বৰা বিশ্বাসৰ এক অগ্নিময় প্ৰতীক। কইনাজনিক পাট মুগা বা তেনে



Scanned by CamScanner

কাপোৰেৰে ন-কইনাৰ ৰূপত সজাই তোলা হয় আৰু শিৰত সেন্দুৰ দিয়ে। বৰ বিয়াৰ কইনাৰ দৰেই তোলনি বিয়াৰ কইনাকো সজোৱা হয়। তাৰ পিছত কনাই সাজি কইনাজনীৰ কোলাত দিয়া হয়। কনাইৰ লগত আঁখে চাউলো নিয়ম মৰ্মে কইনাজনীৰ কোলত আয়তীসকলে দিয়ে। ঘৰৰ ভিতৰত কইনাজনীক সজাই ৰভাৰ তললৈ আনি বাকী নিয়মবোৰ সম্পন্ন কৰা হয়। ইয়াৰ পিছতে আয়তীসকলে ইজনে-সিজনৰ মুখত পিঠাগুড়ি ঘহি দিয়ে। কনাই ধেমালি খেলা সময়ত আলহী, বংশ-কুটুম্ব, শুভাকাংক্ষী আদিয়ে কইনাক উপহাৰ আদি দিয়ে। আয়তীসকলে কইনাৰ মাকক ৰভাতলীলৈ আনি শামুকৰ খোলাৰ মালা, ভগা জাকৈ, খালৈ আদি দি নাচোন-বাগোন কৰিবলৈ বাধ্য কৰায়। এনেদৰে তোলনি বিয়াৰ শেষত আয়তীসকলে কইনাক আশীৰ্বাদ দিয়ে আৰু গৃহস্থই জা-জলপান আদিৰে আয়তীসকলক আপ্যায়িত কৰে।

## ২.২.২ জোৰণ দিয়া বা আবিয়ৈ বিয়া ঃ

জোৰণ বা আবিয়ৈ বিয়া ঠেঙ্গাল সমাজৰ অন্য এক আনুষ্ঠানিক বিবাহ। এই বিয়া বৰবিয়াৰ নিচিনাকৈ তিনিদিন বা পাঁচদিনীয়াকৈ পাতে। বাটচন্দা ভোজভাৰ, জোৰণ বা সুধনি ভাৰ, ঘৰ-চাউনিৰ বাদে বাকীবোৰ নিয়ম পালন কৰা নহয় অৰ্থাৎ বৈদিক নিয়ম পালন নকৰে। বিয়াৰ দিনা দিনতে দৰাৰ পৰিবৰ্তে পৰিয়ালৰ মুৰব্বী আৰু গাঁৱৰে কেইগৰাকীমান বুঢ়া-বুঢ়ীয়ে জোৰণ পিন্ধাই জা-জলপান, ভোজ-ভাত খাই কন্যা লৈ আনেগৈ। পিচৰদিনা দৰাৰ ঘৰত ৰাইজক মাতি ডাঙৰকৈ ভোজ খুৱায় আৰু তাতেই কন্যাক ৰান্ধনি দিয়ে।

বৰবিয়া আৰু আবিয়ৈ বিয়াত দৰা পক্ষৰ উপস্থিতি কন্যাক কাঁহী-বাটি, কাপোৰ-কানি, বিছনা, তাঁতশাল, উঘা-চেৰেকী আদি কৰি গৰু-গাই আদি পৰিয়ালৰ লোকে আৰু আত্মীয় স্বজনে ইচ্ছা অনুসৰি যিকোনো বস্তু উছৰ্গা কৰে। উছৰ্গাৰ শেষত সকলো বস্তুৰ তালিকা বনাই তালিকাসহ সকলো বস্তু কন্যা পক্ষৰ ৰাইজে দৰা পক্ষক চমজাই দিয়ে।

## ২.২.৩ পলোৱাই অনা বিয়া (গন্ধৱ বিবাহ)

ঠেঙ্গাল সমাজত পলোৱাই অনা বিবাহত কোনো বাধা নাই। যদি ঘৰৰ মানুহ ৰাজী নহয় আৰু আৰ্থিকভাৱে দুৰ্বল হয় তেতিয়া ডেকা-গাভৰুৱে নিজে পলাই অহাৰ সিদ্ধান্ত লয়। ছোৱালী পলুৱাই নিয়াৰ তিনিদিনৰ দিনা ল'ৰাৰ দেউতাকে ওচৰ চুবুৰীয়াৰ লগত ছোৱালী ঘৰত চোৰ ওলাইগৈ। অৰ্থাৎ ল'ৰাৰ দেউতাক, ওচৰ-চুবুৰীয়াই দুই-এজন লগত লৈ তেওঁলোকৰ ল'ৰাই ছোৱালী নিলে বুলি জাননী দিয়েগৈ। ছোৱালীঘৰৰ লগত মিতিৰ হ'বলে ল'ৰাৰ পক্ষই শৰাই আগবঢ়ায়। (৭) ছোৱালী ঘৰৰ মানুহৰ দ্বি-মত নাথাকিলে শৰাই ভাঙে আৰু মিতিৰ হোৱাৰ দিনবোৰ ঠিক কৰে। যদি মত নাথাকে তেতিয়া শৰাই নাভাঙে। ছোৱালী ঘৰৰ কিছুমানে দৰাৰ ঘৰক পইচা দাবী কৰে। পইচা দিবলৈ ৰাজী হ'লেহে



Scanned by CamScanner

শৰাই ভাঙে আৰু মিতিৰ হোৱাৰ দিন বাৰ ঠিক কৰে আৰু এই দাবী কৰা পইচা মিতিৰ হোৱাৰ আগতেই দিব লাগিব।

মিতিৰ হোৱা দিনা ছোৱালীৰ গাঁৱৰ ৰাইজক মাতে আৰু ল'ৰাৰ ঘৰতো গাঁৱৰ দুই-এজনক মাতি লগত ছোৱালী ঘৰলৈ লৈ আহে। ছোৱালীৰ ঘৰলৈ যাওঁতে চৈ-পাচিৰ ভাৰ নিয়ে, যিখন ভাৰত এফালে ডাঙৰ বৰালি মাছ আৰু আনফালে গুৰ গাখীৰ সান্দহ আদি থাকে। ল'ৰাৰ ঘৰৰ পৰা অনা সাজেৰেই ৰাইজক ভোজ খুৱায় আৰু ল'ৰাৰ ঘৰৰ মানুহে ছোৱালী ঘৰৰ মানুহক মান দান ধৰে। সেই দিনাৰ পৰাই দুয়োঘৰে অহা-যোৱা কৰে।

## ২.২.৪ বৰ বিয়া বা হোম পোৰা বিয়া ঃ

(৮) ভাৰতীয় আৰ্যসমাজৰ স্বীকৃত আঠ প্ৰকাৰৰ ব্ৰাহ্ম বিবাহেই হৈছে ঠেঙ্গাল সকলৰ বৰ বিয়া। এই বিয়া তিনিদিন বা পাঁচদিন অথবা কিছুমনে সাতদিনীয়াকৈ পতাৰ নিয়ম। ছোৱালী খোজাৰ পৰা আৰম্ভ কৰি বিয়াৰ পিছলৈকে বৰবিয়াত বিভিন্ন ধৰণৰ নিয়ম পালন কৰা হয়। তলত তাৰে নিয়ম চমুকৈ আলোচনা কৰা হৈছে ঃ—

### ২.২.৪.১ বাটচন্দা ঃ

(৯) দৰাপক্ষই কইনা চোৱাৰ অন্তত ল'ৰা-ছোৱালী উভয়ে বিয়াত বহিবলৈ সন্মতি প্ৰকাশ কৰিলে বা ছোৱালী পক্ষই কন্যাদান দিবলৈ সন্মতি জনালে দৰাঘৰে প্ৰথমে ছোৱালী খুজিবলৈ গৈ তামোল-পাণ দিয়াকে বাটচন্দা বুলি কোৱা হয়। বাটচন্দালৈকে সকলোখিনি কাম বাওৰা বা কৰোৱাৰ জৰিয়তে হোৱা দেখা যায়। ছোৱালী খুজিবলৈ অহাৰ দিনা ল'ৰাৰ ঘৰৰ মানুহে লগত চৈ পাচিত চতত দিয়া দুমলা পিঠা, গুৰ দুটেকেলী, গাখীৰ দুটেকেলী, ডাঙৰ বৰালি মাছ বা শ'ল মাছ দুটা, তামোল পাণ আদি কৰি নিয়ে। ইয়াকে ভোজভাৰ বা পিঠা ভাৰ বোলা হয়। দুয়োঘৰৰ মানুহে সেই দিনাৰ পৰা অহা-যোৱা কৰিবলৈ বাট মুকলি কৰি দিয়ে।

### ২.২.৪.২ জোৰণ বা সোধনি ভাৰ ঃ

পূৰ্বতে ঠেঙ্গালসকলৰ মাজত জোৰণ বিয়াৰ বহুদিনৰ আগতেই দিয়াৰ নিয়ম। জোৰণৰ দিনা কইনা ঘৰলৈ চৈ পাচিত বিভিন্ন পিঠা, সান্দহ, গাখীৰ, গুৰ, বৰালি মাছ, মুগাৰ চাদৰ-মেখেলা, থুৰীয়া এযোৰ, বাখৰুৱা মণি এটা, ৰূপৰ আঙঠি ৫ টাকৈ ধৰি সোণৰ এটা, সোণৰ খাৰু, মতাথুৰীয়া আদি দিয়া নিয়ম যদিও ইয়াত কোনো বাধ্যবাধকতা নাই। জোৰণৰ দিনা দুয়োঘৰে মিলি সুবিধাজনক তাৰিখ আৰু বাৰ ঠিক কৰে। এই জোৰণৰ ভাৰখনকে সোধনিভাৰ বুলি কোৱা হয়।

### ২.২.৪.৩ বেই সজা ঃ

দৰা কন্যাই গা-ধোৱা ঠাইত বিশেষ ধৰণৰ বেই সজা হয়। টেকেলী



Scanned by CamScanner

দিয়া আৰু গাঠিয়াল খুন্দাৰ দিনা তিনিডাল পাটি দৈ গছেৰে বেই সাজি দৰা কন্যা গা-ধোৱা হয়। বেইৰ চাৰিওফালে চাৰিটা কলপুলি আৰু হাঁহকণী তামোল-পাণ, পিপা আৰু পইছা এটা পুতি থয়। এই কাম অতি গোপনে কৰে আৰু বিয়াৰ পিছদিনা উলিয়াই মগনিয়াক দি দিয়ে।

## ২.২.৪.৪ পানী তোলা ঃ

অসমৰ প্ৰায়ভাগ জনগোষ্ঠী বা জন সমাজত পানী তোলা অনুষ্ঠান দেখিবলৈ পোৱা যায়। প্ৰায়বিলাক শুভকৰ্ম বা উৎসৱ আদিৰ লগত পানীতোলা কাৰ্য জড়িত হৈ থাকে। ঠেঙ্গাল কছাৰীসকলৰ মাজত পানীতোলা অনুষ্ঠান হিচাপে বিয়াত এই কাৰ্য অপৰিহাৰ্য আৰু উৎসৱমুখৰ পৰিৱেশৰ হয়।

পানীতোলা উৎসৱৰ মূল কথা হ'ল পৱিত্ৰ পানী আহৰণ আৰু দৰা-কইনাক গা ধুওৱাৰ বাবে এই পৱিত্ৰ পানী অপৰিহাৰ্য। এই পানীৰে গা ধুলে দৰা-কইনাক কোনো শত্ৰুৱে অপকাৰ কৰিব নোৱাৰে বা কু মন্ত্ৰ কৰি বিপদ ঘটিব নোৱাৰে বুলি এটা জনবিশ্বাসো প্ৰচলিত।

দৰা-কইনাক মাকে পানী তুলিবলৈ ঘট বা টেকেলী ধৰে। মাক নথকা অৱস্থাত বংশৰ কোনো জেষ্ঠ্য মহিলাই বা সম্পকীয় লোকে ঘট বা টেকেলী ধৰিব পাৰে। টেকেলী ধৰা মহিলাগৰাকীয়ে মুগাৰ বা তেনে ভাল সাজ পিন্ধি এটা কাঁহৰ কলহত এৰাসুতা মেৰিয়াই কলহৰ মুখত আমৰ ডালি , তামোল-পাণ, পইচা এটা, কাঁচি লৈ নৈ বা পুখুৰী আদিৰ পৰা আয়তীসকলৰ সৈতে পানী তোলে। পানী তুলিবলৈ যাঁওতে ঘটধৰা মহিলাগৰাকীক যশোদা, ৰাধা, দৈৱকীৰ ৰূপত কল্পনা কৰি আয়তীসকলে জাত জাত আয়তীৰ নাম গায় আৰু লগত ঢুলীয়াসকলে ঢোলে-দগৰে উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰে। কুমাৰী ছোৱালী এজনীয়ে চাউল,তামোল-পাণ আৰু জ্বলি থকা বন্তি এগছিৰে পৰিপূৰ্ণ দুনৰি ধৰি কন্যা বা দৰাৰ মাকৰ পাছে পাছে যায়। নৈ বা পুখুৰীৰ পৰা ৫ টা ঘাটৰ পৰা অলপ অলপকৈ পানী আহৰণ কৰা হয়। হে পানীৰ কিনাৰত চাৰিটা খুটি পুতি মাজত আগলি কলপাত পাৰি তামোল-পাণ, পইচা দি বন্তি জ্বলাই সেৱা কৰে। ইয়াৰ পিছতেই কাঁচিখনেৰে তিনিবাৰ পানী কাটি কলহত ভৰাই। এনেদৰে তিনিবাৰ কৰি পানী ভৰাই সাকো মুখত পানী লৈ দুৱাৰমুখৰ পানী পতাত পেলাই। এই পানীৰে দৰা-কইনাক মূৰত পানী ঢালি গা ধুওৱা হয়।

## ২.২.৪.৫ গাঠিয়ন ঃ

গাঠিয়ন হৈছে এবিধ সুগন্ধি গছৰ শিপা। জোৰণৰ দিনা দৰাপক্ষই কইনাঘৰত এই গাঠিয়ন দিয়াটো প্ৰচলিত নিয়ম। বৰ বিয়াত এনে গাঠিয়ন দিয়া হয় আৰু কইনাৰ ঘৰত গাঠিয়ন খুন্দা হয়। ৰাতিলৈ পানী তুলি আনি গা-ধুৱাই পাটীত বহোৱাৰ পিছত মাকৰ সৈতে সাতজনী আয়তীয়ে চেলেং



Scanned by CamScanner

কাপোৰ এখনে কইনাৰ মূৰৰ ওপৰত দাঙি ধৰে আৰু এই কাপোৰৰ ওপৰত মোমায়েকে টেকেলি ধৰি থাকে। টেকেলিত নিয়ম মতে এৰাসুতা মেৰিয়াই থোৱা থাকে, মুখত আমৰ ডালি আদি থাকে। কাপোৰখনৰ ওপৰত তামোল-পাণ, পাতি পইচা, অলংকাৰ আদি থোৱা থাকে। আয়তীসকলে পটাগুটিৰে শিল এটাত বা পটাত তিনিবাৰ গাঠিয়ন খুন্দে আৰু আয়তীসকলে গাঠিয়ন খুন্দি নাম আদি গায়, উৰুলি দিয়ে। মোমায়েকে টেকেলিৰ পানী ছটিয়াই আৰু গাঠিয়ন খুন্দি কন্যাৰ কপালত ফোঁট দিয়ে, কাপোৰখনত থকা সামগ্ৰীখিনি বান্ধি মাকৰ খোচনিত দিয়ে। মোমায়েকে টেকেলী ধৰে কাৰণেই মোমায়েকৰ মান সকলোতকৈ ডাঙৰ। গাঠিয়ন খুন্দাৰ পিছতেই খোলাংবুঢ়ী নাচে।

## ২.২.৪.৬ খোলাংবুঢ়ী নাচ ঃ

ঠেঙ্গালসকলৰ নিজস্ব কৃষ্টি সমূহৰ অন্যতম হ'ল কুলাবুঢ়ী বা খোলাংবুঢ়ী নাচ। বৰ বিয়াত গাঠিয়ন খুন্দাৰ দিনা গাঠিয়ন খুন্দি শেষ হোৱাৰ লগে লগে এগৰাকী বৃদ্ধা আয়তীয়ে মূৰত এখন ডলা বা কুলা লৈ তাৰ আৰু হাতত এডাল লাখুটি লয় (১১)। ডলাখনত তামোলৰ বাকলি, এটা পাতি পইচা আদি লৈ মনোৰঞ্জনৰ বাবে নাচি-বাগি কন্যা/দৰা খুজিবলৈ হাতত এডাল বাঁহৰ লাখুটি লৈ ঢোলৰ ছেৱে ছেৱে নাচি নাচি কইনাৰ ওচৰলৈ বা দৰাঘৰৰ হ'লে দৰাৰ ওচৰলৈ আহে। ইয়াকে কলাবুঢ়ী নাচ বোলে। কলাবুঢ়ী নাচ নচাৰ আগেয়ে ছাই সানি মুখখন ক'লা কৰি লয়। আকৌ সোহাতত থকা বাঁহৰ লাখুটি ডালত খোলা কাটিৰ এটা টোপোলা বান্ধি লোৱা নিয়ম, অঞ্চলভেদে কুলাবুঢ়ীৰ পোছাক বেলেগ বেলেগ। সাধাৰণতে অলপ লেতেৰা বা মধ্যমীয়া ধৰণৰ পোছাক কলাবুঢ়ীয়ে পিন্ধে। ঠাই বিশেষে ফটা চোলা এটাও কুলাবুঢ়ীয়ে গাত সুমুৱাই লয়। সকলোৱে ইয়াত নাচ-বাগ কৰি মনোৰঞ্জন লাভ কৰে। এই কলাবুঢ়ী নাচৰ অন্তৰালতো এটা জনবিশ্বাস আছে যে কুলাবুঢ়ীয়ে সিদিনা হৰ-পাৰ্বতীৰ ৰূপত ৰভাৰ তলত প্ৰৱেশ কৰে। কুলাবুঢ়ী বা খোলাংবুঢ়ী যি নামেৰে নামকৰণ কৰা নহওক কিয় এই কুলাবুঢ়ী হ'ল মনোৰঞ্জন আৰু হাস্যৰস সৃষ্টিকাৰী এটা চৰিত্ৰ। এই চতিত্ৰৰ মাজত লুকাই আছে নিভাঁজ গাৱলীয়া সৰল মনৰ উদাৰতা।

## ২.২.৪.৭ সুৱাগুৰি তোলা ঃ

কইনা ঘৰত দৰাৰ আগমনলৈ উৎকণ্ঠেৰে বাট চাই থাকোতে দৰা আহি কইনাৰ মাকে আয়তীসকলক লৈ হোম যজ্ঞৰ বাবে পানী তুলিবলৈ যায়। এই পানী হোমত ব্যৱহাৰ হয় আৰু দৰা-কইনাৰ গাত ব্ৰাহ্মণ পুৰোহিতআমৰ পাতেৰে ছটিয়াই মন্ত্ৰ পাঠ কৰে। ইয়াকে কয় সুৱাগুৰি তোলা।



Scanned by CamScanner

## ২.২.৪.৮ দৰা ঃ

কইনাঘৰৰ পদূলিত যাত্ৰা কলপুলিৰ তলত আহি দৰা আৰু সখীয়েক ৰ'ব লাগে। দৰাই কাপোৰেৰে মুখখন ঢাকি ৰাখে মাত্ৰ চকু দুটাহে উলিয়াই ৰাখে। ক'লা ছাতি এটাৰে হেলনীয়াকৈ দৰাক সখীয়েকে আৱৰি ৰাখে। কিয়নো দৰা আদৰা সময়ত দুয়ো পক্ষই চাউল মৰা পৰম্পৰা অতীজৰে পৰা চলি আহিছে। সেই চাউল আহি যাতে চকুত নোসোমায় তাৰ বাবে সাৱধানতা অৱলম্বন কৰা হয়। ভৰি ধুৱাবলৈ এখন পীৰা পাৰি দিয়া হয়। প্ৰথমে কইনাৰ ভনীয়েকে দৰাৰ ভৰি ধুৱায়। দৰাৰ সখীয়েকক ভৰি ধুৱায় বেলেগ ছোৱালী এজনীয়ে। কইনাৰ ভনীয়েক নাথাকিলে বংশ বা কুটুম্বৰ সৰু ছোৱালী এজনীয়ে ভৰি ধুৱায়।

দৰা ভৰি ধুৱাই হোৱাৰ পিছত তামোল-পাণ আৰু গামোচা দি আদৰিব লাগে। কইনাৰ মাকে দৰা আদৰাৰ সময়ত কোনো ঠাইত ৫ টাৰ প্ৰত্যেকটো টোপোলা দৰাৰ মুখমণ্ডলত তিনিবাৰকৈ ঘূৰোৱা নিয়ম আছে। এই টোপোলা সাধাৰণতে ফুটছাই বা কপাহ গুটিৰ দুটা, কণীৰ এটা, কৰ্কৰা ভাতৰ এটা হয়। এই টোপোলা কইনাৰ মাকে দৰাৰ মুখমণ্ডলত তিনিবাৰ ঘূৰাই টোপোলাবোৰ পূব পশ্চিম, উত্তৰ দক্ষিণ দিশে পেলাই দিয়ে আৰু এটা টোপোলা চাকি আদি নিয়া কাঁহীখনত থৈ দিব লাগে। তাৰপাছত কইনাৰ মাকে কাঁহৰ বাটীত দৈ আৰু পাণ লৈ দৰাৰ গালত দৈ লগায় দিয়ে আৰু নিজৰ মুখতো লগায়। তিনিবাৰ এনে কৰাৰ পিছত দৰাক তামোল-পাণ আৰু গামোচা দি আদৰে।

## ২.২.৪.৯ কন্যা সম্প্ৰদান ঃ

হোম যজ্ঞ আৰম্ভ হোৱাৰ আগতেই কন্যাক আঁৰ কাপোৰ দি ৰভাৰ তললৈ আনে। আমখৰি, ঘিউ, আখৈ আদিৰে হোম যজ্ঞৰ আৰম্ভ কৰে আৰু পোৰোহিতে দৰা কন্যাক মন্ত্ৰ উচ্চাৰণ কৰোৱাই হোমাগ্নিক ঘিউ দিয়ায় আৰু ইয়াকে হোম পুৰা বোলে। ইয়াৰ পিছত কন্যাৰ দেউতাকে দৰাৰ সোঁ-হাতৰ ওপৰত কন্যাৰ বাঁওহাত ৰাখি কন্যা সমৰ্পণ কৰে আৰু দুয়োকে লগুণ গাঠিৰে এক কৰে। দৰাই পানী গ্ৰহণ কৰে, ঢেঁমী কটাৰী সলায় আৰু পিছত দৰা কন্যা ভিতৰলৈ নিয়ে। ভিতৰত দৰা-কন্যাক পায়স একেখন কাঁহীত দুটা বাতিত সজাই খাবলৈ দিয়ে। অৱশ্যে পায়স মুখত লগাই শুঙে। খাবলৈ দিয়াৰ আগতে কাঁহীখন দৰা-কন্যাৰ মুখত ঘূৰাই। ইয়াৰ পিছতেই কইনাক উলিয়াই পঠিয়াই।

## ২.২.৪.১০ খোৱা খুবুনি সবাহ ঃ

বিয়াৰ দুদিনৰ পিছৰদিনা এই অনুষ্ঠান সম্পন্ন কৰা হয়। কইনা ঘৰৰ মানুহখিনি আৰু দৰাঘৰৰ আত্মীয়-স্বজন সকলক লৈ এই খোৱা-খুবুনি সবাহ অনুষ্ঠিত হয়। ঠেঙ্গাল সমাজত খোৱা-খুবুনিক অপদেৱতা বুলি



Scanned by CamScanner

বিশ্বাস কৰা হয় আৰু খোৱা-খুবুনিৰ অপদৃষ্টি দৰা-কইনাৰ গাত নালাগিবলৈ এই সবাহ অনুষ্ঠিত হয় । এই সবাহ দুপৰীয়া ভাগত অনুষ্ঠিত হয় আৰু এজন বৃদ্ধই শিৱ-পাৰ্বতীৰ খেতি কৰা মন্ত্ৰ, মুখা ভংগ মন্ত্ৰ গাই দৰা কইনাক হৰ-গৌৰী বসতি হ'বলৈ ৰাইজে আশীৰ্বাদ দিয়ে । সেই দিনাই দৰা-কইনা দুয়ো একএলগএ ঢেঁকী দি পিঠা খুন্দি ৰাইজক খাবলৈ দিয়ে । এই ঢেঁকী দিয়া প্ৰথাটো পৰম্পৰা কৃষিৰ লগত জড়িত বুলি ঠাৱৰ কৰিব পাৰি । আবিয়ৈ বিয়া বা পোহনী বিয়াত খোৱা-খুবুনি পতা নহয় ।

আনহাতে খোৱা-খুবুনিৰ দিনাই ৰান্ধনী লোৱা কাৰ্য সমাপন কৰে ।

## ২.২.৪.১১ আঠমঙলা ঃ

বিবাহৰ আঠদিনত দৰা আৰু কইনা লগত সৰু ল'ৰা-ছোৱালী লৈ মাকৰ ঘৰলৈ যায় । কইনাজণীৰ মাকৰ ঘৰত তেওঁলোকক আৰু আত্মীয় স্বজনক খুৱাবলৈ ৮ খন ব্যঞ্জনেৰে ভাত ৰন্ধা হয় । সকলোৰে খোৱাৰ পিছত আত্মীয়সকল দৰা-কইনাৰ চিনাকী হয় আৰু দুয়ো তামোল-পাণ লগতে সাধ্য অনুসাৰে বস্ত্ৰ দি মানধৰি আশীৰ্বাদ লয় । এই অনুষ্ঠানকে আঠমঙলা বোলা হয় । বেলি অস্ত যোৱাৰ আগেয়ে দৰাগৃহ পোৱাকৈ কইনাঘৰৰ পৰা বিদায় লৈ গৃহাভিমুখে গমন কৰে ।



Scanned by CamScanner

## ২.০৩ বিবাহ অনুষ্ঠানত গোৱা গীত ঃ

বিবাহ মানৱ সমাজৰ এক মুখ্য সংস্কাৰমূলক আৰু গুৰুত্বপূৰ্ণ অনুষ্ঠান। সকলো জনগোষ্ঠীৰ নিজস্ব ৰীতি-নীতিৰে এই বিবাহ অনুষ্ঠান সমাজত পালন কৰা দেখা যায়। বিবাহ অনুষ্ঠানৰ লগত জড়িত গীত সমূহ হৈছে-

তোলনী বিয়াৰ গীত ঃ

আজি সাতদিন কি বৰণ ধৰিলা
মাৰাৰ বৰে ঘৰত বহি।
সাতদিনৰ মূৰত ওলায়ে আহিলা
মাৰি মিচিকিয়া হাঁহি

কনাই লোৱা সময়ত গোৱা গীত ঃ

কনাই বোলে বুঢ়ী আই
বাটত পালো দুখ
কোলাত লোৱা বুঢ়ী আই
গুচক বাটৰ দুখ।

পানী তোলাৰ গীত ঃ

পানী তুবলৈ ওলালে দৈৱকী
ৰূপতে ধূপে লগাই
আগে পাছে ভৰি গায়ন-বায়ন কৰি
ঢুলীয়াই ঢোল বজাই।

নুওৱা গীত ঃ

মূৰত পানী দিবা ধাৰে নিচিঙিবা
দৰা (বা কন্যা)ৰ ধৰসৰ বিঘা
সোণৰ বৰে পীৰা আছে চাৰি খুঁটা
সোণতে সুৰগা চৰে।

গাঠিয়ন খুন্দা গীত ঃ

সাতজনী আয়তী গাঠিয়ন খুন্দতী
উৰুলি এজোকা দিয়া ৰাখে হৰি
উৰুলি এজোকা দিয়া।
উজনি ৰাজ্যৰে খুন্দে গাঠিয়ন
নামনি ৰাজ্যৰে পটা হে
নামনি ৰাজ্যৰে পটা।...

কন্যা সজোৱা গীত ঃ

সোণৰে পাটীতে আইদেউ বহিছে
সমনীয়াই মেলিছে চুলি
পাটীৰে দলিছা লুকায়ে পৰিছে
শৰাইলৈ মেলিছে চুলি।



Scanned by CamScanner

দৰা সজোৱা গীত ঃ

সোণৰ পাটীত বহি বোপাই কাপোৰ পিন্ধে
পিন্ধে বকুলৰ মালা,
অতিকে চেনেহৰ মাকে সুধিছে
বোপাই কেনিনো যোৱা ।

সুৱাগুৰি তোলা গীত ঃ

সুৱাগ তুলিবলৈ ওলালে দৈৰকী
কাষতে কলচী লৈ
সুৱাগৰ কলা মূৰত তুলি লোৱা
আমৈ পিঠাগুৰি থৈ ।

খোলাংবুঢ়ী নাচৰ গীত ঃ

ঘেন দাঁও দাঁও, ঘেন দাঁও দাঁও
লাখুটি বাঁও বাঁও,
লাখুটি নহ'লে কেনেকৈ যাঁও
নাচে খোলাংকৰী নাচে
কি কি আনিছা দিয়া খোলাংকৰী
কনাই কোঁচে পাতি লঁও ।



Scanned by CamScanner

## ২.০৪ বিবাহৰ সাজপাৰ ঃ

ঠেঙ্গাল কছাৰীসকলৰ পৰম্পৰাগত সাজপাৰৰ ভিতৰত পুৰুষসকলৰ প্ৰধান সাজ চুৰীয়া, চাদৰ, হাতৰ দীঘল চোলা। এৰী, মুগা, পাট আৰু অন্যান্য সূতাৰে মহিলাসকলে ঘৰতে পুৰুষৰ বাবে তৈয়াৰ কৰি দিয়ে। বিয়া-বাৰুত পুৰুষে মুগাৰ চোলা-চুৰীয়া, চেলেং, গামোচা আৰু মূৰত মুগাৰ পাগ মাৰে। দৰাৰ বাবে আঢ়ৈকঠীয়া চেলেং কাপোৰ, দুকঠীয়া গামোচা বাধ্যতামূলক। তেনেদৰে মহিলাসকলে মেখেলা বুকুত ৰিহাৰে বান্ধি মেথনি মাৰে, গাত চাদৰ আদি পৰম্পৰাগতভাৱে পৰিধান কৰে। গাভৰু ছোৱালীয়ে সাধাৰণভাৱে ৰিহা, চাদৰ মেখেলা পিন্ধে। মুগা, এৰি, পাটৰ গুণাকৰা, গাঁৰিদিয়া বা কেচবচা ৰিহা, মেখেলা চাদৰৰ প্ৰচলন থকাৰ উপৰিও কপাহী সূতাৰেও তৈয়াৰী সাজৰ প্ৰচলন আছে। ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ দৰাৰ দৰে কইনাৰ সাজো সুকীয়া। আঢ়ৈকঠীয়া ফুলাম চেলেং, ৰঙীন ফুলাম মেখেলা, ৰিহা সুন্দৰকৈ কইনাৰ বাবে তৈয়াৰ কৰে। মহিলাসকলৰ মাজত ওৰণি আৰু সেন্দুৰৰ ব্যৱহাৰ দেখা পোৱা যায়।



Scanned by CamScanner

## ২.০৫ বিবাহৰ লোকবিশ্বাস ঃ

প্ৰতিটো জনগোষ্ঠীৰে নিজ নিজ সংস্কৃতি, লোকবিশ্বাস, পৰম্পৰা, আচাৰ-ব্যৱহাৰ আৰু লোকাচাৰ আদি অতীজৰে পৰা প্ৰচলিত হৈ আহিছে। ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকসকলৰ মাজতো তেনে কিছুমান লোকবিশ্বাস অতিজৰে পৰা প্ৰচলিত হৈ আহিছে। বিবাহৰ ক্ষেত্ৰত দেখা পোৱা লোক বিশ্বাস এনেধৰণৰ —

তোলনি বিয়াত ৰোৱা কলপুলিটো গৰু বা ছাগলীয়ে খাব নোৱাৰে। কলপুলিটো অনিষ্ট হ'লে কইনাজনীৰ ভৱিষ্যৎ মসৃণ নহয় বুলি এটা বিশ্বাস আছে। কলপুলিটোৰ পুলি-পঘা যিমানেই হ'ব সিমানেই ল'ৰা-ছোৱালী হ'ব বিশ্বাস কৰা হয় আৰু কল পুলিটো মৰিলে বিধবা হয় বুলি জনবিশ্বাস। (১২) বেইতলত হাঁহকণী পুতিলে, বিয়াৰ ভাৰত মাছ দিয়া ইত্যাদিত প্ৰজনন শক্তি বাঢ়ে বুলিও বিশ্বাস কৰে। চন্দ্ৰ-সূৰ্য আৰু পুৰুষে উক্ত সময়ত ছোৱালীজনী দেখিলে অমংগল হয় বুলি এটা বিশ্বাস আছে।

বৰবিয়া সময়তো ঠেঙ্গাল সমাজত যথেষ্ট নীতি-নিয়মৰ ওপৰত গুৰুত্ব দিয়া হয়। বৰবিয়াত দৰা-কইনাক বেয়া দৃষ্টিৰ পৰা হাত সাৰিবৰ বাবে মন্ত্ৰপুত কৰি নদীৰ ঘাটৰ পৰা পানী আনি গাঁৱৰ আইসকলে দৰা কইনাক বেইঘৰত গা ধুৱায়।

কুলাবুঢ়ী নাচৰ অন্তৰালত এটা জনবিশ্বাস আছে যে কুলাবুঢ়ীয়ে বিয়দিনা হৰ-পাৰ্বতীৰ ৰূপত ৰভাৰ তলত প্ৰৱেশ কৰে।



Scanned by CamScanner

# উপসংহাৰ

অসমৰ আদিম অধিবাসী বৃহত্তৰ কছাৰী জাতিৰ অন্যতম অংশ কছাৰীসকল। ঠেঙ্গাল কছাৰীসকলৰ সামাজিক জীৱনৰ ওপৰত অধ্যয়ন কৰি এটি আলোচনা আগবঢ়াবলৈ এই গৱেষণা গ্ৰন্থখনত চেষ্টা কৰা হৈছে। এই জনগোষ্ঠীটোৰ সামগ্ৰীকভাৱে গোষ্ঠীগত পৰিচয়। সামাজিক জীৱন, ধৰ্মীয় ৰীতি-নীতি সমূহৰ বিষয়ে আলোচনা আগবঢ়াবলৈ যত্ন কৰা হৈছে।

"ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ বিবাহ পদ্ধতি" শীৰ্ষক বিষয়টোৰ প্ৰথম অধ্যায়ত ঠেঙ্গাল কছাৰীৰ পৰিচয় আৰু সামাজিক ৰীতি-নীতিৰ পৰিচয় দাঙি ধৰা হৈছে। এই অধ্যায়টোত কছাৰী শব্দৰ উৎপত্তিৰ পৰিচয় দিয়া হৈছে।

দ্বিতীয় অধ্যায়ত ঠেঙ্গালসকলে পালন কৰা বিবাহ সম্পৰ্কীয় লোকাচাৰৰ আভাস দিয়া হ'ল। বিশেষকৈ বিবাহৰ ৰীতি-নীতিত নাৰীয়ে মুখ্য ভূমিকা গ্ৰহণ কৰে। বিবাহৰ অনুষ্ঠানৰ গাঠিয়ন খুন্দা, সুৰাগুৰি তোলা, খোলাংবুঢ়ী নচা, তোলনি বিয়াৰ কনাই বন্ধা আৰু লোৰা আদি পৰম্পৰাই ঠেঙ্গালসকলৰ সুকীয়া পৰিচয় দাঙি ধৰে। এই অধ্যায়ত বিবাহৰ সাজপাৰ আৰু লোকবিশ্বাসৰ বিষয়েও আলোচনা কৰা হৈছে।



Scanned by CamScanner

# সিদ্ধান্ত

১/ ঠেঙ্গাল জনগোষ্ঠীৰ পৰিচয় বহন কৰিব পৰাকৈ ঐতিহাসিক তথ্য আছে।

২/ তেওঁলোকৰ স্বকীয় সাজ-পোছাক আছে।

৩/ বিবাহ সম্পৰ্কীয় লোকাচাৰ সমূহত লোকবিশ্বাসৰ অধিক পয়োভৰ আছে।

৪/ পৰম্পৰাগত ধৰ্মীয় লোকাচাৰসমূহ বৰ্তি আছে যদিও ঠাইভেদে পূৰ্বৰ ৰীতি-নীতি শিথিল হোৱা দেখা গৈছে।

৫/ ঠেঙ্গালসকলৰ নিজস্ব কোনো ভাষাৰীতি নাই।

৬/ ঠেঙ্গালসকলৰ শুদ্ধ জনগাঁঠনিৰ নিৰ্ণয়ৰ উচিত পদক্ষেপৰ প্ৰয়োজন।

৭/ ঠেঙ্গালসকল সামাজিকভাৱে দায়বদ্ধ এটা জনগোষ্ঠী।



Scanned by CamScanner

# প্ৰসংগসূচী

১/ যোগেশ্বৰ বড়া ঃ চীনৰ পৰা দৈয়াঙলৈ, পৃ.-২০
২/ Suniti Kumar Chatterji : The Place Of Assam in the History and Civilisation of India, page- 6-9
৩/ যোগেশ্বৰ বড়া ঃ চীনৰ পৰা দৈয়াঙলৈ, পৃ. -২০
৪/ যোগেশ্বৰ বড়া ঃ চীনৰ পৰা দৈয়াঙলৈ, পৃ. -২০
৫/ মুকুট শৰ্মা ঃ ঠেঙ্গাল কছাৰী জীৱন আৰু সংকৃতি, পৃ-৫৮
৬/ মুকুট শৰ্মা ঃ ঠেঙ্গাল কছাৰী জীৱন আৰু সংকৃতি, পৃ-৫৮
৭/ জ্যোতিকা বৰা ঃ ঠেঙ্গাল দৰ্পন, পৃ.-৫০
৮/ জ্যোতিকা বৰা ঃ ঠেঙ্গাল দৰ্পন, পৃ.-৪৭
৯/ মুকুট শৰ্মা ঃ ঠেঙ্গাল কছাৰী জীৱন আৰু সংকৃতি, পৃ-৪৭
১০/ মুকুট শৰ্মা ঃ ঠেঙ্গাল কছাৰী জীৱন আৰু সংকৃতি, পৃ.৫১
১১/ মুকুট শৰ্মা ঃ ঠেঙ্গাল কছাৰী জীৱন আৰু সংকৃতি, পৃ.৫১
১২/ বৰ্ণালী চেতিয়া ঃ অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক জীৱন ঃ এটি সমীক্ষাত্মক অধ্যয়ন, পৃ.-১০৪



Scanned by CamScanner

# গ্ৰন্থপঞ্জী


শইকীয়া, নগেন ঃগৱেষণা পদ্ধতি পৰিচয়, কৌস্তুভ প্ৰকাশন, নতুন বজাৰ, ডিব্ৰুগড়-১, প্ৰথম প্ৰকাশ, ছেপ্তেম্বৰ,১৯৯৬, নৱম মুদ্ৰণ মাৰ্চ,২০২২

শইকীয়া, বন্তি (সম্পাদক) ঃ ঠেঙ্গাল দৰ্পন, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী নৱম দ্বি-বাৰ্ষিক অধিৱেশন, তিতাবৰ, যোৰহাট, জানুৱাৰী,২০০৯

শইকীয়া, মণ্টু (সম্পাদক) ঃ ঠেঙ্গাল দৰ্পন, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী নৱম দ্বি-বাৰ্ষিক অধিৱেশন, তিতাবৰ, যোৰহাট, এপ্ৰিল,২০০২

ঠেঙ্গাল, হেমন্দ্ৰ (সম্পাদক) ঃ ঠেঙ্গাল দৰ্পন, স্মৃতিগ্ৰন্থ, নৱম প্ৰকাশ, জানুৱাৰী,২০০৯

শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস, বাণী প্ৰকাশ, গুৱাহাটী, ২০১৮

শৰ্মা, মুকুট ঃ ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি, অসম বুক ট্ৰাষ্ট, গুৱাহাটী-৩, প্ৰথম প্ৰকাশ, জুলাই,২০১৯


Scanned by CamScanner

# তথ্যদাতাৰ তালিকা

| নাম | বয়স | গাঁও |
|---|---|---|
| যোগেশ্বৰ বৰা | ৭০ বছৰ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট |
| সূচিত্ৰা কছাৰী | ৬০ বছৰ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট |
| পুহিতা কছাৰী | ৬২ বছৰ | কচুখাট, তিতাবৰ, যোৰহাট |
| কনক কছাৰী | ৬৫ বছৰ | কচুখাট, তিতাবৰ, যোৰহাট |
| মিহিকান্ত কছাৰী | ৬৭ বছৰ | কচুখাট, তিতাবৰ, যোৰহাট |
| ফুল শইকীয়া | ৬৮ বছৰ | চেকুৰীয়া, তিতাবৰ, যোৰহাট |
| ডিম্বেশ্বৰ কছাৰী | ৮২ বছৰ | লায়েটন-চুঙী, তিতাবৰ, যোৰহাট |
| ভুবন বৰা | ৬২ বছৰ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট |

Scanned by CamScanner

# আলোকচিত্ৰ



নোৱাই তোলনি বিয়া পানী তোলা



চাৰিদিনীয়া গা ধোৱা



নোৱাই তোলনি বিয়াৰ কনাই লোৱা প্ৰথা



নোৱাই তোলনি বিয়াৰ কন্যা



Scanned by CamScanner



বৰ বিয়াত জোৰণ দিয়া বা সোধনি ভাৰ



Scanned by CamScanner



বৰ বিয়াত পানী তোলা



গাঁঠিয়ন খুন্দা অনুষ্ঠান খোলাং বুঢ়ী নাচনী



Scanned by CamScanner



দৰা আদৰা পৰ্ব



কন্যা সম্পাদন



Scanned by CamScanner



পৰম্পৰাগত সাজত দৰা আৰু সখি



পৰম্পৰাগত সাজত কইনা

********************



Scanned by CamScanner